সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২০ সংখ্যা, ৫ জেঠ, ৰবি বাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 20 Date Of Publication - 19 May 2024 Rs.10.00/-


## অসমত ইছলামিক ষ্টেটৰ লক্ষ্যৰে জেহাদৰ পৰিকল্পনা ৰচিছিল বাহাৰ আৰু ৰাছেল মিঞাই

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলক ইছলামিক ষ্টেটৰ অন্তৰ্ভুক্ত কৰিবলৈ দীৰ্ঘদিনৰ পৰা পৰিকল্পনা কৰিছিল দুই জেহাদী বাহাৰ মিঞা আৰু ৰাছেল মিঞাই। গুৰুত্বপূৰ্ণ কথাটো হ'ল জেহাদৰ এই বৃহৎ পৰিকল্পনাত অসম তথা উত্তৰ- পূৰ্বাঞ্চলৰ এটা বৃহৎ অংশও অন্তৰ্ভুক্ত হৈ আছিল। যোৱা ১৩ মে'ত গুৱাহাটী ৰে'ল ষ্টেচনত নাটকীয়ভাবে দুই জেহাদীয়ে অসম আৰক্ষীৰ এছ বিৰ হাতত কৰায়ত্ত হোৱাৰ পাছতহে এই পৰিকল্পনাৰ তথ্য পোহৰলৈ আহিছে। সম্প্ৰতি বিশেষ শাখাৰ কাহিলিপাৰাৰ মুখ্য কাৰ্যালয়ত বাহাৰ আৰু ৰাছেল মিএাক চলোৱা মাৰাথন জেৰাৰ অন্তত বহু কথা পোহৰলৈ আহিছে। জেহাদৰ অন্যতম মূল হোতা খলিল মিএাক বিচাৰি অসম আৰক্ষীয়ে যথেষ্ট তৎপৰ হৈ পৰিছে যদিও বৰ্তমানলৈকে খলিলৰ সন্ধান আৰক্ষীয়ে লাভ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে যোৱা ১৩ মে'ত গুৱাহাটী ৰে'ল ষ্টেচনত বিশেষ শাখাই গ্ৰেপ্তাৰ কৰাৰ সময়তে জেহাদীদ্বয় বাহাৰ আৰু ৰাছেল মিঞাৰ সৈতে আৰক্ষীয়ে জব্দ কৰিছিল এটা পুস্তিকাৰ টোপোলা। আৰবী আৰু বাংলা মিশ্ৰিত ভাষাত বিভিন্ন বক্তব্য লিখা থকা



পুস্তিকাকেইখনৰ পাঠোদ্ধাৰ, কৰিবলৈ সক্ষম হৈছে আৰক্ষী। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, আৰবী-বাংলা মিশ্ৰিত ভাষাৰে লিখা পুস্তিকাখনৰ ওপৰত 'আল কায়দা ইন দ্য ইণ্ডিয়ান ছাব কন্টিনেন্ট' বুলি উল্লেখ আছিল। ইছলাম ধৰ্মাৱলম্বীসকলৰ ধৰ্মীয় আবেগক ব্যৱহাৰ কৰি বাংলা ভাষাত লিখা হৈছিল বহুকেইটা উচটনিমূলক বক্তব্য। সূত্ৰটোৱে সদৰী কৰা মতে, মূলতঃ জেহাদ আৰু ইছলামিক ষ্টেট কিয় প্ৰয়োজন সেয়া পুস্তিকাখনত লিখা কথাবোৰৰ জৰিয়তে বুজাবলৈ চেষ্টা কৰা হৈছিল। সংখ্যালঘু যুবপ্ৰজন্মক বিভ্ৰান্ত ( দুই পৃষ্ঠাত চাওক)

## জলবায়ু পৰিবৰ্তনৰ ফলত সংকটত ব্ৰহ্মপুত্ৰ অৱবাহিকা



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ পৰিলক্ষিত হৈছে। বৃষ্টিপাত সাংঘাতিক ধৰণে হ্ৰাস পোৱাৰ বিপৰীতে অনুভূত হৈছে তীব্ৰ গ্ৰীষ্মপ্ৰবাহ। ইয়াৰ মাজতে ইণ্টাৰনেচনেল চেণ্টাৰ ফৰ ইন্টিগ্ৰেটেড মাউন্টেইন ডেভেলপমেন্ট (আইচিআইএমঅ'ডি) আৰু অষ্ট্ৰেলিয়ান ৱাটাৰ পাৰ্টনাৰশ্বিপ (এডব্লিউপি) নামৰ জলবায়ু সংক্ৰান্তীয় দুটা আন্তৰ্জাতিক সংস্থাই অলপতে প্ৰকাশ কৰা এক গৱেষণালব্ধ প্ৰতিবেদনত ব্ৰহ্মপুত্ৰ অৱবাহিকা সন্দৰ্ভত এক ভয়ংকৰ আগজাননী দিছে। 'এলিভিটিং বিভাৰ বেচিন গভাৰ্নেঞ্চ এণ্ড কো-অপাৰেচন ইন হিন্দ-কুছ-হিমালয়ান ৰিজন' শীৰ্ষক এই প্ৰতিবেদনখনত কোৱা হৈছে যে জলবায়ু পৰিবৰ্তনে দুৰ্ঘোৰ সংকট নমাই আনিব ব্ৰহ্মপুত্ৰ অৱবাহিকালৈ। অকল সেয়াই নহয়, ব্ৰহ্মপুত্ৰ অৱবাহিকাত বসবাস কৰা লাখ লাখ গৰিব আৰু ( নপৃষ্ঠাত চাওক)

## পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণত ভাগ্য নিৰ্ণয় হ'ব ৬৯৫গৰাকী প্ৰাৰ্থীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- সামৰণি পৰিল লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ হাইভল্টেজ নিৰ্বাচনী প্ৰচাৰ। ২০ মে'ত দেশৰ আঠ ৰাজ্য-কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা লোকসভা সমষ্টিৰ ভোটগ্ৰহণক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা কংগ্ৰেছৰ শীৰ্ষ নেতা ৰাহুল গান্ধী, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাই বিশাল নিৰ্বাচনী সমাবেশেৰে প্ৰচাৰ অভিযান চলালে। ২০ মে'ত অনুষ্ঠিত ( নপৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ

WhatsApp - 9854215286

Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta

## সম্পাদকীয়ঃ বিশ্বাস

**স্বাগতা বৰুৱা গোস্বামী**

বিশ্বাস... এটি সৰু হৃদয় চুই যোৱা শব্দ। এই বিশ্বাসৰ বাবে দুটি হৃদয়ৰ মিলন হৈছে। সৃষ্টি হৈছে ৰামধেনুৰ সাতোটা ৰং। বিশ্বাসে গঢ়ে আৰু ৰচে নানা সপোন। অসমীয়াত এষাৰ কথা আছে বোলে 'বিশ্বাসে মিলয় হৰি'। অৰ্থাৎ আমি আমাৰ জীৱনৰ যিকোনো এটা সিদ্ধান্ততে হৰিৰ উপস্থিতি বিশ্বাস কৰো আৰু আগবাঢ়ো জীৱনৰ বাটত।

কেতিয়াবা কেতিয়াবা বিশ্বাসৰ মিঠা শব্দটোত আমি ইমানেই সোমাই পৰো যে তাৰ বিপৰীত শব্দটো পাহৰি যাওঁ। লগে লগে জীৱনৰ বাটত খোজে খোজে খাউগৈ উজুটি। এই সোৱাদ পিছে সকলোৱে পাইছে। আমিও পাইছো মিঠা, তিতা কিছু সোৱাদ। গতিকে ইয়াৰ সোৱাদ কেনেকুৱা ভালকৈয়ে জানো। বৰ্তমানৰ যান্ত্ৰিকতাৰ যুগত বিশ্বাসক বিশ্বাসঘাতকতা কৰে আকৌ গান্ধীৰ ফটো থকা খনে। অহ ক'বলৈ লৈছিলো সোৱাদটোৰ কথাহে, কৈছো শুনক বিশ্বাসৰ কিছু তিতা অভিজ্ঞতা। আমাৰ একমাত্ৰ ছোৱালীজনীৰ নাচত খুবেই মন। পিছলৈ কি হয় নাজানো। অভিভাৱক হিচাপে তাইৰ আগ্ৰহক সন্মান জনাই সঙ্গীত বিদ্যালয় এখনত নামভৰ্ত্তি কৰিলো। পিছে বৰ বেয়া অভিজ্ঞতাৰ সন্মুখীন হ'লো। গণ্ডগোল লগালে বিশ্বাসে। দোষ আমাৰে বিবেকৰ ওচৰত বৰ মতা দেখুৱাই বিশ্বাসক আগস্থানত ৰাখিলো। মানে গ'ম পাইছেই চাগে, পইছা দিয়া ৰচিদ খন নল'লো। বাৰু হোৱাটোটো নোহোৱা কৰিব নোৱাৰি। মানুজনৰ এইবাৰ মান ভঞ্জন পৰিছিল, ফলিয়ালে বুলি দুখ মনে ঘৰমূৱা হ'লো। অলপদিন আমাৰ মনটো ভাৰাক্ৰান্ত হৈ আছিল। আকৌ আমাৰ চহকী ভাষাটোৰ বাক্য শাৰীলৈ পুনৰ মনত পৰিল। যি হয় ভালৰ কাৰণে হয়। কথাষাৰ পিছে বৰ মিছাও নহয়। মোৰ ভতিজী আৰু দেৱৰ জনৰ সহযোগত নগাঁৱৰ বিখ্যাত অংগাভিনয়ৰ লগত জড়িত হ'ব পাৰিলো। বনশ্ৰী বাইদেউৰ লগতে বাকী সকলকো লগ পাই ভাল লাগিল। পুনৰ যি হয় ভালৰ কাৰণেই হয় বুলি বিশ্বাসকেই আগস্থানত ৰাখিলো। কিন্তু অভিজ্ঞতাৰ পৰা এটাই শিকিলো যে মানুহৰ লগত বেয়া পোৱা, ভাল পোৱা হয়, পইছাৰ লগতে। গতিকে পইছা পাতিৰ লগত লিখিত হ'ব লাগে। নহ'লে শত্ৰু সংখ্যা বাঢ়ি গৈ থাকে বুলি মইহে ভাবিছো নহ'বও পাৰে।

# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ পৰিদৰ্শন সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ পৰিদৰ্শন সম্পন্ন হয়। ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ মূল্যায়নৰ বাবে ১৪ আৰু ১৫ মে, ২০২৪ তাৰিখে আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ অধ্যাপক এম খালিদ আজম (অধ্যক্ষ), বৰ্ধমান বিশ্ববিদ্যালয়ৰ অধ্যাপক মন্টু সাহা (সদস্য সমন্বয়ক) আৰু মহাৰাষ্ট্ৰৰ জি এইচ ৰায়চনী তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানৰ প্ৰাক্তন অধ্যক্ষ ডঃ মমতা মুঠাল (সদস্য) ৰ নেতৃত্বত তিনিজনীয়া এক পৰ্য্যবেক্ষকৰ দল মহাবিদ্যালয়খনত উপস্থিত হয়। ১৪ মে, তাৰিখে ৰাতিপুৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ প্ৰাণজিৎ কুমাৰ নাথ, অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে পৰ্য্যবেক্ষক দলটিক উষ্ণ আদৰণি জনায়। পৰ্য্যবেক্ষক দলটিয়ে পাৰাৰপইণ্টত অধ্যক্ষৰ লগতে বিভাগ সমূহৰ শৈক্ষিক দিশৰ উপস্থাপন প্ৰত্যক্ষ কৰে। তাৰ পাছতেই তেওঁলোকে প্ৰতিটো বিভাগৰ বিভাগীয় নথি-পত্ৰ শৈক্ষিক কাৰ্যকলাপ,




অভিলেখাগাৰ, কাৰ্যালয়, শ্ৰেণীকোঠা, মহাবিদ্যালয় চৌহদৰ সা-সুবিধা পৰিদৰ্শন কৰাৰ লগতে অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ সৈতেও মত বিনিময় কৰে। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ পৰ্য্যবেক্ষক সকলৰ লগত

*(দহ পৃষ্ঠাত চাওক)*

# প্ৰাক্তন শিক্ষা মন্ত্ৰী থানেশ্বৰ বড়োৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন শিক্ষা মন্ত্ৰী থানেশ্বৰ বড়োৰ দেহাৱসান। পুৱা ৭.০৮ বজাত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত অন্তিম নিশ্বাস ত্যাগ কৰে অগপ দলৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰীগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। দীৰ্ঘদিন ধৰি হৃদৰোগৰ লগতে মধুমেহ, যকৃত আৰু বৃক্কৰ দৰে জটিল ৰোগত আক্ৰান্ত হৈ আছিল প্ৰাক্তন মন্ত্ৰীগৰাকী। বিগত ১৩ মে' ত অসম চৰকাৰৰ দুই মন্ত্ৰী তথা অগপ দলৰ সভাপতি আৰু কাৰ্যকৰী সভাপতি ক্ৰমে অতুল বৰা আৰু কেশৱ মহন্তৰ তৎপৰতাত ৰঙিয়াৰ স্বস্তি হাস্পতালৰ পৰা উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হৈছিল থানেশ্বৰ বড়োক । অৱশেষত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে প্ৰাক্তন মন্ত্ৰীগৰাকীৰ। উল্লেখ্য যে, জি এম চি এইচৰ পৰা প্ৰাক্তন মন্ত্ৰীগৰাকীৰ নশ্বৰদেহ নিয়া হ'ব আমবাৰীৰ অগপ কাৰ্যালয়লৈ। তাত শেষ শ্ৰদ্ধা জনোৱা হ'ব। আমবাৰীৰ পিছতে তেওঁৰ নশ্বৰদেহ ৰাজধানী দিশপুৰস্থিত জনতা ভৱনলৈ নি শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। এই শ্ৰদ্ধাঞ্জলিৰ অন্তত ৰঙিয়ালৈ তেওঁৰ নশ্বৰদেহ লৈ গৈ ৰাজ্যিক মৰ্যদাৰে শেষকৃত্য সম্পন্ন কৰা হ'ব ।মৃত্যুৰ সময়ত থানেশ্বৰ বড়োৱে একমাত্ৰ কন্যাক ইহসংসাৰত এৰি থৈ যায়। অসম চৰকাৰৰ প্ৰাক্তন শিক্ষা আৰু ৰাজহ বিভাগৰ মন্ত্ৰী হোৱাৰ উপৰি ৩ বাৰকৈ ৰঙিয়া সমষ্টিৰ বিধায়ক আছিল বড়ো। উল্লেখ্য যে অগপ চৰকাৰৰ প্ৰথমটো কাৰ্যকালত তেওঁ ৰাজহ মন্ত্ৰী হোৱাৰ লগতে পৰৱৰ্তী সময়ত দুবাৰকৈ শিক্ষামন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল ।

# ভোট বেংকৰ ৰাজনীতি কৰিছে ভূপেন বৰাইঃৰঞ্জীৱ কুমাৰ শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিত দিশহাৰা আৰু এঘৰীয়া হৈ পৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে নিজকে সংবাদ শিৰোনামত ৰাখিবৰ বাবে মাজে সময়ে মাননীয় মুখ্যমন্ত্ৰীৰ নাম লৈ সমালোচনা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাম্প্ৰদায়িক বুলি কৈ বাতৰিৰ হেডলাইন হোৱাৰ লগতে ভোট বেংকৰ ৰাজনীতি কৰিছে ভূপেন বৰাই- এই মন্তব্য ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাৰ। সংবাদ মাধ্যমক এনে দৰে মত দি শৰ্মাই লগতে কয় যে- মুখ্যমন্ত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চলৰ নিৰ্বাচন সামৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ নিৰ্বাচনী প্ৰচাৰত দলৰ স্টাৰ কেম্পেইনাৰ হিচাপে প্ৰদান কৰা ভাষণত কোনো ধৰণৰ সাম্প্ৰদায়িক মন্তব্য কৰা নাই। বৰঞ্চ ভাৰতৰ ঐতিহ্য, গৰিমা, ইতিহাস আৰু অৰ্থনৈতিক ভৱিষ্যতৰ কথাহে তেওঁ সাৱলীল আৰু সুন্দৰভাৱে বৰ্ণনা কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ ভাৰতবৰ্ষ আৰু অমৃত কালৰ সময়ত ভাৰতবৰ্ষৰ বিকাশৰ বাবে কৰিবলগীয়া কামৰ বিষয়েহে তেওঁৰ বক্তব্যত বৰ্ণনা দাঙি ধৰিছে। দলৰ মুখ্য কাৰ্যালয়ত সংবাদ মাধ্যমক সম্বোধন কৰি শৰ্মাই লগতে কয়- মুখ্যমন্ত্ৰীয়ে যোৱা দুদিনত তেওঁৰ জনপ্ৰিয় ভাষণত জ্ঞানবাপী মছজিদ, মথুৰাৰ কৃষ্ণ জনমভূমি প্ৰসংগ, পি অ' কে কাশ্মীৰ আদিৰ কথা কৈছে। মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কৈছে যে পি অ' কে ভাৰতবৰ্ষৰ এটা অংশ। "পি অ' কে" এই শব্দটোতেই

*(দহ পৃষ্ঠাত চাওক)*

# অসমত ইছলামিক ষ্টেট

কৰি জেহাদৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ বক্তব্য উক্ত পুস্তিকাবোৰত লিপিবদ্ধ কৰা হৈছিল। জেহাদী নেতা খলিল মিঞাৰ নিৰ্দেশত জেহাদীদ্বয় বাহাৰ আৰু ৰাছেল মিঞাই অসমৰ সংখ্যালঘুপ্ৰধান অঞ্চলৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত এই পুস্তিকাবোৰ বিতৰণ কৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তক ইছলামিক ষ্টেটৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰচেষ্টা চলোৱা দুই জেহাদীয়ে অসমত সংগঠনটোৰ নেটৱৰ্ক শক্তিশালী কৰিবলৈ চামগুৰিৰ মতিউৰ ৰহমানৰ সহায় লৈছিল। বিশেষ শাখাৰ নেতৃত্বত অসম আৰক্ষীৰ এটা বৃহৎ দলে দুই জেহাদীক লগত লৈ মতিউৰ ৰহমানক বিচাৰি চামগুৰিৰ কনুৱামাৰী গাঁৱত উপস্থিত হৈছিল। কিন্তু আৰক্ষী অহাৰ খবৰ পূৰ্বতে লাভ কৰি গৃহৰ পৰা পলাই গৈ নিৰাপদ স্থানত আত্মগোপন কৰিছিল মতিউৰে। উল্লেখ্য যে অসমত দীৰ্ঘদিন ধৰি চলি থকা জেহাদী কাৰ্যকলাপৰ আঁৰত থকা লোকক সৰ্বতোপ্ৰকাৰে বিভিন্ন গুৰুত্বপূৰ্ণ নথিপত্ৰ তথা যোগাযোগৰ বাবে প্ৰয়োজনীয় ছিম কাৰ্ড যোগান ধৰা অন্যতম লোক আছিল মতিউৰ ৰহমান। ২০২৩ চনত বিশেষ শাখাই এই অভিযোগতে মতিউৰ ৰহমানক গ্ৰেপ্তাৰ কৰিছিল যদিও একেটা বৰ্যতে আইনৰ সুৰুঙাৰে মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হৈছিল মতিউৰে। অকল বাহাৰ মিঞাকে নহয়, অসমলৈ বিভিন্ন সময়ত অহা বিচ্ছিন্নতাবাদীসকলকো বিভিন্ন ধৰণে সহায় কৰিছিল মতিউৰে। বিনিময়ত তেনে লোকৰ পৰা লাভ কৰিছিল মোতা অংকৰ কমিছন। ধনৰ লোভতে মতিউৰে সন্ত্ৰাসবাদীক সহায় আগবঢ়াইছিল যদিও লাহে লাহে জেহাদৰ কৰাল গ্ৰাসতো মতিউৰে সোমাই পৰাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। যাৰ বাবে এই মুহূৰ্তত মতিউৰ ৰহমানক গ্ৰেপ্তাৰ অসম আৰক্ষীৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে।

# কামৰূপ মহানগৰ জিলা পথ সুৰক্ষা সমিতিৰ পৰ্যালোচনা বৈঠক

ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ অধ্যক্ষতাত কালি জিলা পথ সুৰক্ষা সমিতিৰ পৰ্যালোচনা বৈঠকখন জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হয়। এই বৈঠকত ইতিমধ্যে যোৱা ২২ এপ্ৰিলত হৈ যোৱা সিদ্ধান্তসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস কৰাৰ বাবে প্ৰশাসনে গ্ৰহণ




কৰা পদক্ষেপৰ বিষয়ে অৱগত কৰে ।তদুপৰি দুৰ্ঘটনাৰ সম্ভাৱনা থকা এলেকাৰ ডিভাইডাৰসমূহত পাৰাৰযুক্ত ষ্ট্ৰীট লাইট আদিৰ ব্যৱহাৰৰ নিৰ্দেশ দিয়ে। কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াগৰাকীয়ে দুৰ্ঘটনা ৰোধৰ বাবে ইতিমধ্যে লোৱা সজাগতামূলক *(দহ পৃষ্ঠাত চাওক)*

# বাৰাণসী লোকসভা সংসদীয় সমষ্টিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মনোনয়ন-পত্ৰ দাখিল



ৰঙিলী বাৰ্তাসেৱা- উত্তৰপ্ৰদেশৰ বাৰাণসী লোকসভা সংসদীয় সমষ্টিৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। এই মনোনয়ন পত্ৰ দাখিল পৰ্বত এনডিএ-ৰ অংশীদাৰ হিচাপে অসম গণ পৰিষদৰ সভাপতি অতুল বৰা উপস্থিত থাকি অগপৰ তৰফৰপৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। এই কাৰ্যসূচীত উপস্থিত থাকি অতুল বৰাই কয়- "সৰ্বজনপ্ৰিয় নেতা তথা দেশৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মনোনয়ন-পত্ৰ দাখিল অনুষ্ঠানত উপস্থিত থকা এই দিনটো আমাৰ বাবে সদায় স্মৰণীয় হৈ ৰ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী আৰু বলিষ্ঠ নেতৃত্বৰ বাবে দেশবাসী এতিয়া অভূতপূৰ্ব বিকাশৰ সাক্ষী হৈছে। মোদী আৰু সৰ্বাংগীণ উন্নয়নৰ প্ৰতি থকা আস্থা-সমৰ্থনৰ প্ৰতিচ্ছবিখন আজি স্বচক্ষে বাৰাণসীতো পুনৰ প্ৰত্যক্ষ কৰিলো আৰু আমি নিশ্চিত যে নৰেন্দ্ৰ মোদীক বাৰাণসীবাসীয়ে ব্যাপক ভোটৰ ব্যৱধানত বিজয়ী কৰি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰিব। মনোনয়ন পত্ৰ দাখিল কাৰ্যসূচীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, উত্তৰ-পূৱৰপৰা নেচনেল পিপলছ পাৰ্টিৰ সভাপতি তথা মেঘালয়ৰ মুখ্যমন্ত্ৰী কণৰাড চাংমা, ইউপিপিএলৰ সভাপতি তথা বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ বিজেপি নেতৃত্বাধীন এনডিএ-ৰ অন্যান্য নেতৃবৰ্গ উপস্থিত থাকে।

# জুবিন গাৰ্গক সাৱটি ধৰি নিলম্বিত হ'ল গৃহৰক্ষী জোৱান



ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ প্ৰতি অতিপাত মৰম প্ৰদৰ্শন কৰাটোৱেই কাল হল এগৰাকী অসম আৰক্ষী মহিলা জোৱানৰ বাবে। মঞ্চত জুবিন গাৰ্গক সাৱটি ধৰাৰ লগতে ভৰিত ধৰি সেৱা কৰিছিল গৃহৰক্ষী জোৱানগৰাকীয়ে। এই দৃশ্য সামাজিক মাধ্যমৰ লগতে সংবাদ মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈছিল। এই ভিডিঅ'ৰ পিচতে এতিয়া আৰক্ষী বিভাগৰ ৰোষত পৰিছে জুবিন গাৰ্গক ভাল পোৱা মহিলা গৃহৰক্ষী জোৱানগৰাকী। জুবিন গাৰ্গক মঞ্চত আলিংগন কৰাৰ পিচতেই চাকৰিৰ পৰা নিলম্বন কৰা হ'ল চাবুৱা থানাৰ মহিলা গৃহৰক্ষী জোৱান মিলি প্ৰভা চুতীয়াক। আৰক্ষীয়ে বিভাগৰ নিৰ্দেশত নিলম্বন কৰিছে গৃহৰক্ষী জোৱান মিলি প্ৰভা চুতীয়াক। এই সম্পৰ্কত গৃহৰক্ষী জোৱান মিলি প্ৰভা চুতীয়াৰ সৈতে যোগাযোগ কৰা হৈছিল যদিও ব্যক্তিগত অসুবিধাৰ দোহাই দি সংবাদ মাধ্যমৰ পৰা আঁতৰি থাকে জোৱানগৰাকীয়ে। জুবিন গাৰ্গক সাৱটি ধৰি চাকৰিৰ পৰা নিলম্বন হ'ল চাবুৱা থানাৰ মহিলা গৃহৰক্ষী জোৱান মিলি প্ৰভা চুতীয়া।

# কামৰূপ মহানগৰ জিলা উন্নয়ন সমিতিৰ মাহিলি পৰ্যালোচনা বৈঠক




ৰঙিলী বাৰ্তাসেৱা- কামৰূপ মহানগৰ জিলাত চৰকাৰী বিভাগসমূহৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ খতিয়ান সন্দৰ্ভত মাহিলি পৰ্যালোচনা বৈঠকখন জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা উন্নয়ন সমিতিৰ আয়ুক্ত পাৰিজাত ভূঞাৰ অধ্যক্ষতাত অনুষ্ঠিত উক্ত বৈঠকত জিলাখনৰ

(দহ পৃষ্ঠাত চাওক)

# মুম্বাইত হৰ্ডিং ভাঙি ১৬ জনৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- মুম্বাইত ধূলিৰ ধুমুহা ফলত এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। ধূলিৰ ধুমুহাৰ ফলত ১০০ ফুট ওখ হৰ্ডিং পৰিল ভাঙি। এই ভয়ংকৰ ঘটনাত ১৬ জন লোকৰ মৃত্যু হয়। আৰু ঘটনাটোত ৭০ জনতকৈ অধিক লোক আহত হয়। দুৰ্ঘটনাটোৰ খবৰ লাভ কৰাৰ পিছতে এন ডি আৰ এফৰ এটা দল ততাতৈয়াকৈ সেই স্থানত উপস্থিত হৈ হৰ্ডিঙে হেচি ধৰা লোকসকলক উদ্ধাৰ কৰে। মুম্বাই পৌৰ নিগমে প্ৰদান কৰা তথ্য অনুসৰি হৰ্ডিঙৰ তলৰ পৰা মুঠ ৮৮ জন লোকক উদ্ধাৰ কৰা হৈছে। এতিয়াও চিকিৎসালয়ত ভৰ্তি হৈ আছে ৪৩ জন লোক।

(দহ পৃষ্ঠাত চাওক)

# নগাঁৱত সংবাদমেলত আপৰ অভিযোগ



ৰঙিলী বাৰ্তাসেৱা- "সম্প্ৰতি ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি, স্মাৰ্ট বৈদ্যুতিক মিটাৰৰ জ্বলা-কলা, পৌৰ কৰ বৃদ্ধি তথা জীৱন দায়িনী ঔষধৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক; লাকলা খুৱাইছে। আকাশলংঘী মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই।" নগাঁৱৰ পানীগাঁৱত আম আদমী পাৰ্টিৰ জিলা কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত এই অভিযোগ উত্থাপন কৰে আপৰ নগাঁও জিলা সমিতিৰ সভাপতি যুগান্তৰ বৰাই। দলৰ জিলা সভাপতি গৰাকীয়ে কয়- "ৰাজ্যখনত এহাতে সাধাৰণ মানুহৰ আৰ্থিক অৱস্থা শোচনীয় হৈ আছে, আনহাতে মন্ত্ৰী - বিধায়ক সকলৰ সম্পত্তি বৃদ্ধি পাইছে। সাধাৰণ মানুহৰ দুখ দুৰ্গতিৰ খবৰ লবলৈ তেওঁলোকৰ আহৰি নাই।" সংবাদমেলত দলৰ ৰাজ্যিক উপ সভাপতি ৰাজীৱ শইকীয়াই কয় যে কংগ্ৰেছৰ আমোলত মূল্যবৃদ্ধি ৰোধৰ দাবীত পিয়াজৰ মালা পিন্ধি ওলাই অহা বিজেপি নেতা-নেত্ৰী সকল আজি নিৰৱ হৈ আছে। মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিৰ দিনতে আকাশলংঘী মূল্যবৃদ্ধি হৈছে। ইয়াৰ বিপৰীতে চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাই। সংবাদমেলত দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক ভিক্টৰ গগৈয়ে কয়- "অনাগত দিনত চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে আৰু ৰাজ্যবাসীৰ স্বাৰ্থত আম আদমী পাৰ্টিয়ে শক্তিশালী ভূমিকা পালন কৰিব।"

# নসত্ৰৰ কৃষ্ণগুৰু সেৱাশ্ৰম দৰ্শন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

ৰঙিলী বাৰ্তাসেৱা- পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ ৯০ তম আৱিৰ্ভাৱ তিথি উপলক্ষে আজি নসত্ৰৰ কৃষ্ণগুৰু সেৱাশ্ৰমত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত হয় আৰু সমাজৰ সৰ্বাংগীণ মংগল কামনাৰে গুৰুজনাৰ প্ৰতি তেওঁ সভক্তিৰে সেৱা জনায়। তেওঁ উল্লেখ কৰে, "আজিৰ এই পবিত্ৰ দিনটোত ভক্তিপ্ৰাণ ৰাইজক লগ পাই নথৈ আনন্দিত হ'লোঁ। গুৰুজনাৰ আশিস আৰু আদৰ্শৰে আমাৰ সমাজ জীৱন সদায়েই ধন্য হৈ ৰওক আৰু সকলোৰে জীৱনত অনাবিল সুখ-সমৃদ্ধিৰ সঞ্চাৰ হওক, তাৰেই কামনা কৰিলোঁ। পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ আধ্যাত্মিক বাণী, সাৰগৰ্ভ দৰ্শন তথা সমন্বয়ৰ বাৰ্তাই সমাজ জীৱনক সমৃদ্ধ আৰু উদ্বুদ্ধ কৰি আহিছে। আজি পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ পবিত্ৰ আৱিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনাৰ শ্ৰীচৰণত নতশিৰে সেৱা জনালোঁ। দেশৰ হকে, জাতিৰ হকে নিষ্ঠাৰে কাম কৰি যাবলৈ গুৰুজনাৰ আশীৰ্বাদ



আৰু কৃপাদৃষ্টি আমাৰ জীৱনত সদায়েই বিৰাজমান হৈ থাকক, তাৰেই কামনা কৰিলোঁ।"

# চৰকাৰী পেঞ্চনাৰ সন্থা অসমৰ সাধাৰণ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ চাননমাৰিস্থিত লক্ষ্মীৰাম সৰালা দাস প্ৰেক্ষাগৃহত চৰকাৰী পেঞ্চনাৰ সন্থা অসম, গুৱাহাটী শাখাৰ উদ্যোগত ২০২২-২০২৪ বৰ্ষৰ দশম দ্বি বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত গুৱাহাটী শাখাৰ সভাপতি বলিন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সন্থাৰ সম্পাদক দিনুল ইছলাম, কেন্দ্ৰীয় কমিটীৰ সভাপতি চফিউল ৰহমান শইকীয়া, উপদেষ্টা ধনিৰাম তালুকদাৰ, উপ সভাপতি অন্নদা চৰণ ভূঞা, কাৰ্যকৰী কেন্দ্ৰীয় কমিটীৰ সদস্য ভবেন্দ্ৰ নাথ বৰ্মণ প্ৰমুখ্যে প্ৰায় ৭০ জন পেঞ্চনাৰ কৰ্মচাৰী উপস্থিত থাকে। সভাত তেওঁলোকৰ যোৱা দুবছৰৰ খতিয়ান দাঙি ধৰি হিচাব নিকাচ সম্পূৰ্ণ কৰা হয় লগতে সন্থাৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান ন পুৰণিৰ সংযোজন ঘটাই নতুন কাৰ্যসূচী সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। তেওঁলোকে জানিবলৈ দিয়া মতে চলিত মাহৰ শেষৰ ফালে অথবা জুনৰ প্ৰথম বা দ্বিতীয় সপ্তাহত পৰৱৰ্তী কাৰ্যকৰী সভা এখন অনুষ্ঠিত হব।

# পদ্মশ্ৰী সন্মানেৰে বিভুষিতা বীৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উল্লেখ কৰে, "সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে অদম্য মনোবল আৰু সাহসেৰে যুঁজ দি শ্ৰদ্ধাৰ বীৰুবালা ৰাভা বাইদেৱে নাৰীশক্তিৰ নিদৰ্শন দেখুৱাই থৈ গ'ল। পদ্মশ্ৰী সন্মানেৰে বিভুষিতা বাইদেউৰ সান্নিধ্যই যিকোনো পৰিস্থিতিকে নেওচি সমাজৰ হকে নিষ্ঠাৰে কাম কৰি যাবলৈ আমাক উদ্বুদ্ধ কৰিছিল। বাইদেউৰ দেহাৱসানৰ খবৰটো পাই অত্যন্ত মৰ্মাহত হৈছোঁ। অসমৰ সমাজ জীৱনৰ বাবে তেওঁৰ বিয়োগ এক অপূৰণীয় ক্ষতি। তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলোঁ আৰু শোকসন্তপ্ত আত্মীয়-স্বজনলৈ মোৰ গভীৰ সমবেদনা জনালোঁ।

# গুৱাহাটীৰ বিভিন্ন স্থানত এবিভিপি কটন বিশ্ববিদ্যালয় গোটৰ বিহু পৰিৱেশন

ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ কটন বিশ্ববিদ্যালয় গোট আৰু শ্বহীদ ৰঞ্জীত বৰপূজাৰী ছাত্ৰাৱাসৰ যৌথ উদ্যোগত গুৱাহাটী মহানগৰীৰ বিভিন্ন বিশিষ্ট ব্যক্তিৰ ঘৰত ব'হাগ মাহৰ এই সময়ত বিহু পৰিৱেশন কৰা হয়। অতীজৰে পৰা প্ৰচাৰিত ব'হাগ মাহৰ এই বিহু মৰা পৰম্পৰা অক্ষুণ্ণ ৰাখি কটন বিশ্ববিদ্যালয়ৰ শ্বহীদ কনকলতা বৰুৱা ছাত্ৰী নিবাস, ড° কমলা ৰয় ছাত্ৰী নিবাস, নলিনীবালা দেৱী ছাত্ৰী নিবাস, কটন বিশ্ববিদ্যালয়ৰ



অধ্যাপক সকলৰ আৱাস, বিশ্ববিদ্যালয় খনৰ বিভিন্ন হোষ্টেল, গুৱাহাটীৰ চৌহদ, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ নোমল মমিন, বিধায়ক ভৱেশ কলিতা আদিৰ বাসভৱনত বিহু পৰিৱেশন কৰা হয়।

# চেঙাত আপৰ কাৰ্যালয় উদ্বোধন



ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজ্যৰ ১৪ টাকৈ লোকসভা সমষ্টিত অনুষ্ঠিত নিৰ্বাচনৰ ভোট গণনাৰ পূৰ্বেই ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া বিধান সভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে আম আদমী পাৰ্টিয়ে। বৰপেটা জিলাৰ চেঙা বিধান সভা সমষ্টিৰ অন্তৰ্গত বহৰিৰ সমীপৱৰ্তী হৰিপুৰত আম আদমী পাৰ্টিৰ কাৰ্যালয় মুকলি কৰে দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে। আপৰ চেঙা সমষ্টি কমিটীৰ কাৰ্যালয়

(দহ পৃষ্ঠাত চাওক)

# মৰিগাঁৱত লেখিকা সমাৰোহ সমিতিৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিবেশন



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মৰিগাঁও জিলা শাখাৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিবেশনখন ১২ মেত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে ঐতিহ্যমণ্ডিত মৰিগাঁও জিলাৰ গান্ধী ভৱনত অনুষ্ঠিত হয়। অধিবেশনৰ পুৱা সংগঠনটোৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা শাখাৰ সভানেত্ৰী স্মৃতিৰেখা গোঁহায়ে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰে সংগঠনটোৰ জ্যেষ্ঠ সদস্যা ক্ৰমে নিৰুপমা মহন্ত আৰু পুস্পলতা বুঢ়াগোহাঁইয়ে। আনহাতে স্মৃতি বেদীত স্মৃতি - তৰ্পণ আৰু মাল্যাৰ্পন কৰে সংগঠনটোৰ প্ৰাক্তন সভানেত্ৰী - ক্ৰমে চন্দ্ৰলেখা গোঁহাই লাহন আৰু পোনা দেৱী মহন্তই। দুপৰীয়াৰ ভাগত এখন মুকলি সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা লেখিকা সমাৰোহৰ সম্পাদিকা অৰ্চনা শৰ্মাই আঁত ধৰা অনুষ্ঠানত মৰিগাঁও জিলা লেখিকা সমাৰোহৰ সভানেত্ৰী স্মৃতিৰেখা গোঁহাইৰ সভাপতিত্বত অনুষ্ঠিত এই মুকলি সভাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে সংগঠনটোৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বাণী বৰুৱাই। এই মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, কেন্দ্ৰীয় প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, প্ৰাক্তন সভাপতি বুবুমণি গোস্বামী, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মা, শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰাসহ বহুকেইজন বিশিষ্ট ব্যক্তি। এই সভাতে জাৰ্জিনা বেগমৰ দ্বাৰা সম্পাদিত সংগঠনটোৰ মুখপত্ৰ 'কপিলী' উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই আৰু বীণা ডেকাৰ 'অনুভৱৰ দুলনি' শীৰ্ষক এখন কাব্য গ্ৰন্থ উন্মোচন কৰে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমণি গোস্বামীয়ে। উল্লেখযোগ্য যে এই সভাতে বিভিন্ন দিশত পাৰদৰ্শিতা আগবঢ়োৱা নৱ প্ৰজন্ম, সমাৰোহ সমিতিৰ সদস্যা সকল আৰু সমাৰোহৰ সফল মাতৃক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া অনুষ্ঠিত এটি বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোহাঁয়ে। ইফালে ১১ মে'ত অধিবেশনৰ প্ৰতিনিধি সভাত বীণা ডেকাক সভানেত্ৰী আৰু ৰূপা শৰ্মাক সম্পাদিকা হিচাপে লৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মৰিগাঁও জিলা শাখাৰ ৩১ জনীয়া পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। মৰিগাঁও জিলা লেখিকা সমাৰোহৰ সম্পাদিকা অৰ্চনা শৰ্মাই সমগ্ৰ কাৰ্যসূচী আঁত ধৰে।

# বীৰুবালা ৰাভাৰ মৃত্যুত শোক প্ৰকাশ ভৱেশ কলিতাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই বীৰুবালা ৰাভাৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় 'অসমৰ এগৰাকী সাহসী নাৰী বীৰুবালা ৰাভা বাইদেউৰ বিয়োগৰ খবৰ শুনি সঁচাকৈ মৰ্মাহত হৈছোঁ। ৰাভা বাইদেউ ডাইনী হত্যাৰ বিৰুদ্ধে নিজৰ শক্তিশালী কণ্ঠৰে সমাজখনৰ হৈ যুদ্ধ কৰি পোহৰ বিলাই পদ্মশ্ৰী বঁটাৰে সন্মানিত বীৰুবালা ৰাভা বাইদেউৰ বিয়োগ অসমবাসীৰ বাবে অপূৰণীয় ক্ষতি। নিজৰ নিৰন্তৰ প্ৰচেষ্টাৰে সমাজৰপৰা অন্ধবিশ্বাস-কুসংস্কাৰ দূৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা ৰাভা বাইদেউ নাৰী শক্তিৰ অনন্য নিদৰ্শন। তেওঁ সমাজ জীৱনলৈ আগবঢ়াই থৈ যোৱা অতুলনীয় অৱদানক আমি কেতিয়াও পাহৰিব নোৱাৰিম। ৰাভা বাইদেউৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে শোকসন্তপ্ত পৰিয়ালবৰ্গ, আত্মীয়-স্বজনলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।'

# ধনীৰ ধন দুখীয়াৰ মন

**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

'এখন কিতাপ কিনাৰ কাহিনী' শীৰ্ষক ৰচনাখনত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিয়ে এজন ব্যক্তিৰ মহানুভৱতাৰ বিষয়ে এটা চিত্তাকৰ্ষক বৰ্ণনা দিছে। কাহিনীটো আছিল গুৱাহাটীৰ। প্ৰায় ত্ৰিছ বছৰমান পূৰ্বৰ কথা। বৰগোহাঞিয়ে গুৱাহাটী গ্ৰন্থমেলালৈ গৈ এসোপামান কিতাপ কিনি কিনি জেপ উদংপ্ৰায় কৰি দিছিল। তথাপিও কিতাপৰ ওপৰত চকু ফুৰাব এৰা নাছিল। তেনেতে এখন বিশেষ কিতাপত তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল। কিতাপখনৰ পাত লুটিয়াই সূচিপত্ৰখন দেখিয়েই তেওঁৰ জিভাৰ পানী বাধাহীন হৈ বব ধৰিলে। কিন্তু কিতাপখনৰ দাম আছিল অধিক, আৰু ইতিমধ্যে কেইবাখনো কিতাপ কিনাৰ বাবে তেওঁৰ হাতত সেই বিশেষ কিতাপখন কিনিব পৰাকৈ ধন নাছিল। সেয়ে তেওঁ বিষাদমনে কিতাপখন য'ৰ পৰা লৈছিল তাত আকৌ থৈ দিলে। কিতাপখন থৈ দিলে ঠিকেই, কিন্তু কিতাপখন কিনিব নোৱৰা দুখে তেওঁক বাৰুকৈয়ে দহিছিল। কিন্তু স্বয়ং ভগৱানেই যেতিয়া বিচাৰিব, তেতিয়া আপোনাক বাধা দিব পাৰে কোনে?

বৰগোহাঞিৰ ক্ষেত্ৰতো সেয়াই হৈছিল। পাঠকৰ মূল্য হৃদয়ংগম কৰিব পৰা প্ৰকাশন গোষ্ঠীৰ বিষয়া এগৰাকীয়ে কিতাপখন তেওঁৰ হাতত তুলি দি নম্ৰ হাঁহি এটা মাৰি কৈছিল- "আমি কেৱল টকাৰ মুখলৈ নাচাওঁ, গ্ৰাহকৰ মুখলৈও চাওঁ। কোনে কি কিতাপ কিনিছে তাৰ দ্বাৰা আমি গ্ৰাহকজনৰ গ্ৰন্থৰ ৰুচি আৰু শিক্ষা-দীক্ষাৰো অলপ আভাস পাওঁ। মই নিবিচাৰোঁ যে মাত্ৰ ১০০টা টকাৰ কাৰণে আপুনি এই কিতাপখন এৰি থৈ যাওক।"

ঘটনাটো মনলৈ আহিল অসমৰ আন এগৰাকী প্ৰখ্যাত সাহিত্যিক ডঃ বৰুৱাই (ছদ্ম নাম) সেই একেখন গুৱাহাটীতে সন্মুখীন হোৱা অন্য এটা কাহিনী এই লেখকৰ আগত বৰ্ণনা কৰাত। এইটো ঘটনাও প্ৰায় ত্ৰিছ বছৰ আগৰে। ডঃ বৰুৱা স্বনামধন্য সাহিত্যিক, লগতে তেতিয়া আছিল অসম চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগৰ মুৰব্বী বিষয়া। তেওঁ বহুদিন ধৰি বেমাৰত ভুগি আছিল। চিকিৎসকে তেওঁৰ কেন্সাৰ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি এগৰাকী বিশেষ চিকিৎসকৰ পৰামৰ্শ ল'বলৈ দিহা দিছে। ডঃ বৰুৱা ওলাল সেই বিশেষ চিকিৎসকগৰাকীৰ



চেম্বাৰলৈ বুলি। কিন্তু চেম্বাৰত উপস্থিত হৈ ডঃ বৰুৱাই দেখিলে যে তেওঁৰ জেপত মানিবেগটো নাই। তেওঁৰ কিন্তু ভালকৈ মনত আছে যে মানিবেগটো ঘৰৰ পৰা আনিছিল।

তেতিয়া মোবাইল ফোনে চাহিদা লাভ কৰা নাই; ফোন পে', গুগল পে' কল্পনাৰো অতীত। ডঃ বৰুৱাই ইফালে-সিফালে কোনোবা চিনাকি মানুহ লগ পাই নেকি বিচাৰিলে, কাকো নাপালে। কিবা বিকল্প ব্যৱস্থা কৰিব পাৰে নেকি তাকো মাথা মাৰি চালে; কিন্তু নোৱাৰিলে। ইফালে ঘৰলৈ আহি পইচা লৈ আকৌ চেম্বাৰলৈ যাবলৈও সময়ে অনুমতি নিদিয়ে। মুঠতে তেওঁ এটা ডাঙৰ সমস্যাত পৰিল। কি কৰিম কি নকৰিম বুলি ভাবি উপায়ন্তৰ হৈ তেওঁ উপস্থিত হ'লগৈ ৰেজিষ্ট্ৰেন কাউণ্টাৰত। ৰিছিপচনিষ্ট গৰাকীৰ আগত তেওঁ সন্মুখীন হোৱা সমস্যাটো বিবৰিলে। পিছে তেওঁ কোনো সমিধান দিব নোৱাৰিলে। নোৱাৰাটোৱে স্বাভাৱিক। এইবাৰ ডঃ বৰুৱা উপস্থিত হ'লগৈ বেমাৰ দেখুৱাব যোৱা চিকিৎসকগৰাকীৰ আগত। তেওঁৰ আগতো সমস্যাটো বিবৰি তেওঁ ক'লে- "এটা অপ্ৰত্যাশিত বিপদত পাৰিলোঁ। মই ঘৰৰ পৰা মানিবেগটো আনিছিলোঁ ঠিকেই, কিন্তু ইয়াত উপস্থিত হৈ দেখো যে জেপত মানিবেগটো নাই। ইফাল মোৰ লগত লগত এটকাও নাই। কোনোবা চিনাকি মানুহ পাওঁ নেকি চালোঁ, কিন্তু সেইফালেও বিফল। আনহাতে ঘৰলৈ গৈ পইচা আনি পোৱালৈকে মই আহি আপোনাক লগ নাপাম। গতিকে মোক পৰীক্ষা কৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ আপোনাক অনুৰোধ কৰিছোঁ। কাইলৈ মই নিজে আহি পইচা দি যাম।" চিকিৎসকগৰাকীয়েও গা এৰা দিলে। এটা হতাশ মন লৈ ডঃ বৰুৱা ঘৰলৈ উভটিল।

গ'ল কথা গুছিল। এসপ্তাহমান পিছত এদিন তেওঁ অন্য কামত ওলাই গৈছিল। গৈ থাকোঁতে ভাবিলে, হয়তো সিদিনাখন তেওঁ গাড়ীত পেট্ৰ'ল ভৰাই পইচা দিওঁতে তাতেই মানিবেগটো হেৰুৱাইছে। কথাটো মনলৈ অহাত তেওঁ এনেয়ে তাতে কিছু সময় পাইচাৰি কৰি থাকিল। এনেতে তেল যোগান ধৰা ল'ৰা এজন আহি তেওঁক সুধিলে- "ছাৰ, কি বিচাৰিছে? কিবা হেৰাইছে নেকি?"

ডঃ বৰুৱাই তাৎক্ষণিকভাৱে একো প্ৰতিক্ৰিয়া নেদেখুৱালে। মানে মানিবেগ হেৰুওৱা কথাটো ক'বলৈ ইতস্ততবোধ কৰিলে। হঠাৎ ল'ৰাজনে অত্যুৎসাহেৰে ক'লে- "হয় ছাৰ হয়, আপুনিয়েই হয়। মই বুজিছোঁ আপোনাৰ মানিবেগটো হেৰাইছে। সিদিনা তেল ভৰাব আহোঁতে ইয়াত পৰি গৈছিল, মই ৰাখি থৈছোঁ। মানিবেগটোত থকা ফটোখনত দেখি মই আপোনাক চিনি পাইছোঁ। আপুনি অলপ ৰ'ব মই মানিবেগটো লৈ আহোঁ।" এইবুলি কৈ ল'ৰাজন ভিতৰলৈ গৈ মানিবেগটো আনি ডঃ বৰুৱাৰ হাতত তুলি দিলে।

গ্ৰন্থমেলাৰ বিপনিত পইচাৰৰ অভাৱত মনে বিচৰা কিতাপখন ( নপৃষ্ঠাত চাওক)

# মহীয়সী নাৰী পদ্মশ্ৰী বীৰুবালা দেৱীয়ে অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে



**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

আমাৰ সমাজত এটি চিৰাচৰিত ধাৰণা আছে যে, অশিক্ষিত বা কম শিক্ষিত ব্যক্তিয়ে পুৰণি কালৰে পৰা সমাজত প্ৰচলিত হৈ থকা কুসংস্কাৰ, অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব নোৱাৰে; কেৱল উচ্চ শিক্ষিত ব্যক্তিসকলেহে এই বিষয়ে স্পষ্ট জ্ঞান লাভ কৰি ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সক্ষম হয়। কিন্তু, গোৱালপাৰা-মেঘালয়ৰ সীমান্তৱৰ্তী একেবাৰে ভিতৰুৱা ঠাকুৰ ভিলা টিল্লা পাৰা গাঁৱৰ এটি দুখীয়া কৃষকৰ ঘৰত সকলোৰে শ্ৰদ্ধাৰ পদ্মশ্ৰী বীৰুবালা ৰাভা বাইদেৱে ১৯৫৪ চনত জন্ম গ্ৰহণ কৰি আৰ্থিক দুৰৱস্থাৰ বাবেই মাথোঁ পঞ্চম শ্ৰেণীলৈকে পঢ়া-শুনা কৰি কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি পৃথিৱীৰ ইতিহাসৰ পৃষ্ঠাত চিৰদিন জিলিকি থাকিব। প্ৰকৃততে লাহ-বিলাহৰ মাজত জীৱন নিৰ্বাহ কৰা ব্যক্তিসকলে সমাজ সম্পৰ্কে কোনো সচেতনতা অনুভৱ নকৰে; কাৰণ তেওঁলোকে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰে আৰু সোণৰ চামুচ মুখত লৈয়ে মৃত্যুৰ মুখত পৰে। ব্যক্তিগত জীৱনত হোৱা দ্বন্দ্ব-সংঘাতে এজন মানুহৰ অন্তৰ্দৃষ্টি প্ৰখৰ কৰি তোলে আৰু সমাজত প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বাহিৰেও সকলো অনিয়মৰ বাস্তৱ পৰিস্থিতিৰ ভিত্তিত তাৰ কাৰ্য-কাৰণৰ (Law of Causality) বিজ্ঞান-সন্মত (Scientific research) গৱেষণাৰ পথ মুকলি হৈ পৰীক্ষা-নিৰীক্ষা চলাই তাক নিৰ্মূল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰে। বিশ্বৰ প্ৰায় বেছিভাগ মহাপুৰুষেই বেছি শিক্ষিত নাছিল; তেওঁলোকৰ সন্মুখত আছিল এখন বহল সমাজ আৰু প্ৰাকৃতিক নিয়মসমূহৰ এক বাস্তৱ-সন্মত পৰ্যালোচনা।

কু-সংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়া সমাজৰ দিক্‌দৰ্শক সকলোৰে শ্ৰদ্ধাৰ পদ্মশ্ৰী বীৰুবালা ৰাভাৰ জীৱন আছিল নানা ঘাত-প্ৰতিঘাতেৰে ভৰা। পাঁচ বছৰ বয়সতে বীৰুবালাই পিতৃহাৰা হৈছিল। মায়ে ধাইৰ কাম কৰি কোনোমতে ঘৰখন পোহপাল দিছিল। বীৰুবালা ৰাভাই মাছ মৰাকে আদি কৰি ঘৰৰ সকলো কামত মাকক সহায় কৰিছিল। পঞ্চম শ্ৰেণীলৈকে পঢ়া-শুনা কৰাৰ পিছতেই ঘৰৰ আৰ্থিক সমস্যাৰ বাবেই দুখীয়া পৰিয়ালৰ ছোৱালী হিচাপে মাত্ৰ পোন্ধৰ বছৰ বয়সতে তেওঁলোকৰ গাঁৱৰে এজন দুখীয়া কৃষকৰ সন্তানৰ লগত বিবাহ পাশত আবদ্ধ হৈ পদ্মশ্ৰী বীৰুবালা ৰাভাই সংসাৰ ধৰ্ম পালন কৰিবলৈ বাধ্য হৈছিল। প্ৰথম সন্তান নবছৰীয়া ধৰ্মেশ্বৰ ৰাভাই মানসিক ৰোগত আক্ৰান্ত হোৱাত বিভিন্ন চিকিৎসা কৰি ৰোগমুক্ত নোহোৱাত তেওঁলোকে গাঁৱৰ ওজা দেওধনীৰ কাষ চাপে। দেওধনীয়ে জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ কৰি ঘোষণা কৰিলে যে, ল'ৰাটোৰ গাত ঐশ্বৰিক শক্তি পৰী লম্ভিছে। পৰীৰ এটি সন্তান জন্ম হোৱাৰ পিছতেই ল'ৰাটিৰ মৃত্যু হ'ব। কিন্তু, দেওধনীৰ সকলো ভৱিষ্যৎ বাণী অসাৰ বুলি প্ৰমাণিত হোৱাত শ্ৰদ্ধাৰ বীৰুবালা ৰাভাৰ মনত নতুন চিন্তাৰ স্ফুৰণ ঘটিল। সমাজত প্ৰচলিত কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে তেওঁৰ মনত এক বিদ্ৰোহ-ভাৱ জাগ্ৰত হ'ল। কিছুদিন পিছত বীৰুবালা ৰাভাৰ স্বামীৰ মৃত্যু হোৱাত গাঁৱৰ মানুহে একগোট হৈ বীৰুবালা ৰাভাক ডাইনী সজাই হত্যা কৰিবলৈ উদ্যত হ'ল। তেতিয়া বাধ্যত পৰি বীৰুবালা ৰাভাই গাঁৱৰ পৰা পলাই গ'ল যদিও সমাজত বৰ্তি থকা এই কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিবলৈ তেওঁ দৃঢ় -প্ৰতিজ্ঞ হ'ল। তাৰ পিছতেই আৰম্ভ হ'ল শ্ৰদ্ধাৰ পদ্মশ্ৰী বীৰুবালা ৰাভাৰ এক গণ-আন্দোলনৰ জীৱন পৰিক্ৰমা।

১৯৮৫ চনত তেওঁ ঠাকুৰ ভিলা মহিলা সমিতিৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি সমাজৰ কু-প্ৰথা মদ, জুৱা আৰু নাৰী নিৰ্যাতনৰ বিৰুদ্ধে সৰব ভূমিকা পালন কৰিবলৈ ধৰিলে। ১৯৯৯ চনত পাঁচ গৰাকী অসুস্থ মহিলাক ডাইনী সজাই শাস্তি বিহিবলৈ গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ দান মন্দিৰৰ ( নপৃষ্ঠাত চাওক)

একাঁজলি শ্ৰদ্ধা

# পদ্মশ্ৰী বিৰুবালা ৰাভা- সমাজত অন্ধবিশ্বাসৰ বিৰুদ্ধে হোৱা সংগ্ৰামখনৰ এক সাহসী সেনানী

আমাৰ ৰাজ্যত অন্ধবিশ্বাস, বিশেষকৈ ডাইনীৰ দৰে ভয়াবহ অন্ধবিশ্বাসৰ বিৰুদ্ধে হোৱা সংগ্ৰামখনৰ এক সাহসী যোদ্ধা পদ্মশ্ৰী বিৰুবালা ৰাভা বাইদেউ। বাইদেৱে লাভ কৰা জীৱনটোৰ বেছিখিনি সময়েই বাইদেৱে আনৰ সুখৰ হকে মাত মাতি তেখেতৰ সংগ্ৰাম খন চলাই লৈ গৈছিল। এই গৰাকী সাহসী সেনানী বিৰুবালা ৰাভা বাইদেৱে ১৩ মে' ২০২৪ বৰ্ষৰ ৰাতিপুৱা ভাগতে অজান দেশলৈ গতি কৰিলে। এক দীঘলীয়া ইতিহাসৰ যেন অৱসান হ'ল। বাইদেউৰ সৈতে মোৰ এক দীঘলীয় সময়ৰ সান্নিধ্য। তেখেতৰ এই সংগ্ৰাম খন মই বহু ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছোঁ। গতিকে কৰ পৰা আৰম্ভ কৰিম সেয়া যেন কবলৈ অসুবিধা হৈছে। গোৱালপাৰা জিলাৰ এখন অখ্যাত গাঁৱৰ পৰা গৈ বাইদেৱে নিজৰ সাহস আৰু সংগ্ৰামী সত্বাৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষতে পৰিচিত হৈছিল। এনে অনুভৱ হৈছে যি সময়ত অন্যায়, অনীতিৰ বিৰুদ্ধে মাত মতা এক প্ৰতিবাদী কণ্ঠৰ আমাৰ সমাজখনত বিশেষভাৱে প্ৰয়োজন হৈছিল, সেইসময়তে এই সাহসী প্ৰতিবাদী কণ্ঠ চিৰদিনৰ বাবে স্তব্ধ হৈ গ'ল। অৱশ্যে জন্মিলে এদিন মৃত্যু হ'বই। বাইদেউৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। আজি প্ৰায় তিনিবছৰ ধৰি বাইদেউ কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল আৰু অৱশেষত মৃত্যু নামৰ এই চিৰসত্যৰ ওচৰত হাৰ মানিবলগীয়া হ'ল। অসুখত আক্ৰান্ত হৈ কেইমাহ পিছত কিছু সুস্থ হৈ উঠাৰ পিছতেই তেখেতৰ মনোবল সম্পূৰ্ণৰূপে ঘূৰি আহিছিল। সমাজৰ হকে কাম কৰিবলৈ অৰ্থাৎ সমাজত শিপাই থকা অন্ধবিশ্বাস নিৰ্মূল কৰা এই সংগ্ৰাম খনৰ সমুখত থাকি অন্যব্যক্তিসকলক অভয় দান কৰি তেখেতে আগবঢ়াই লৈ গৈছিল। মৃত্যুৰ কিছুদিন আগলৈকে বিৰুবালা ৰাভা বাইদেৱে এই যাত্ৰাত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰি আছিল। বাইদেউৰ মনৰ দৃঢ়তা আৰু মনোবল শলাগিবলগীয়া। ভয় আৰু অৱহেলা এইসমূহ কথা বাইদেউৰ ব্যক্তিত্বত নাছিল আৰু সেইবাবেই হয়তো আজিৰ পৰা ত্ৰিশ বছৰ মান আগৰ যিখন ভিতৰুৱা সমাজ অন্ধবিশ্বাস, কুসংস্কাৰেৰে পৰিপূৰ্ণ সেইখন সমাজত ডাইনীৰ দৰে এক ভয়াবহ অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মতাটো এক কঠিন বিষয় আছিল। নিজৰ মনত থকা অত্যন্ত সাহস আৰু দৃঢ়তাৰ বাবে এই সংগ্ৰামখনৰ একেবাৰে সমুখত থাকি আগবঢ়াই লৈ গৈছিল।

এইগৰাকী সংগ্ৰামী সত্বা বিৰুবালা ৰাভা বাইদেউৰ জন্ম হৈছিল অবিভক্ত গোৱালপাৰা জিলাৰ ঠাকুৰভিলা নামৰ এখন পিছপৰা গাঁৱত।




মানসী মিশ্ৰ

আজিৰ পৰা প্ৰায় পয়সত্তৰ বছৰ সেই গাৱঁখনৰ স্থিতি কেনেকুৱা পৰ্য্যায়ৰ আছিল আজিৰ দিনত সেইকথা সহজে অনুমেয়। সেইসময়ত সেই অঞ্চল সমূহত শিক্ষা দীক্ষাৰ কোনো পোহৰ পৰা নাছিল, চিকিৎসা ব্যৱস্তাৰ ক্ষেত্ৰতো তেনেই অনগ্ৰসৰ আাছিল। চিকিৎসাৰ নামত কিছুমান ভুৱাঁ কবিৰাজী চলিছিল। ছোৱালী শিক্ষাৰ অৱস্থা আছিল তেনেই দুখলগা। তথাপিও সেই সময়ৰ সমাজ ব্যৱস্থাত বাইদেউ ষষ্ঠমান শ্ৰেণীলৈকে পঢ়া শুনা কৰিছিল। বাইদেউৰ বুকুত সাহস আছিল অপৰিসীম। বিৰুবালা ৰাভা বাইদেৱে যিখন জনজাতীয় সমাজত বসবাস কৰিছিল সেইখন সমাজত অন্যান্য বহু কুসংস্কাৰ, অন্ধবিশ্বাসেৰে শিপাই আছিল। বাইদেউৰ নিজৰ পৰিয়ালতেই বাইদেৱে তেনে অন্ধবিশ্বাসৰ বলী হৈছিল। বাইদেউৰ পুত্ৰক কম বয়সতে এগৰাকী পৰীৰ লগত বিয়া পাতি নিদিলে বাইদেউৰ পুত্ৰৰ অকাল মৃত্যু হ'ব বুলি জোৰ দি কৈছিল। কিন্তু সেই সময়তে বাইদেউৰ প্ৰতিবাদী সত্বাই প্ৰতিবাদ কৰি উঠিছিল আৰু তীব্ৰ ভাষাৰে প্ৰতিবাদ কৰিছিল যে এয়া অন্ধবিশ্বাসৰ বাহিৰে আন একো হ'ব নোৱাৰে। সেই সময়ত এই জনজাতীয় সমজখনত যিমানেই টান বেমাৰ আজাৰ নহওঁক কিয়, চিকিৎসকৰ ওচৰলৈ লৈ নগৈছিল। ৰোগীক ঘৰতে ৰাখিয়েই ভুৱা কবিৰাজৰ দ্বাৰা কিছুমান বেজ বেজালি কৰিছিল। যেতিয়া মুমূৰ্ষ অৱস্থাত এগৰাকী ৰোগীৰ মৃত্যু হয়, লগে লগে গাওঁখনৰ কোনোবা এগৰাকী মহিলাৰ অপশক্তিৰ প্ৰভাৱত এনে মৃত্যু হোৱা বুলি ধাৰণা কৰি লয়। বিশেষকৈ গাওঁখনত যদি কলেৰা, গ্ৰহণী, মেলেৰীয়া আদি ৰোগৰ প্ৰাৰ্দুভাৱ হয় তেন্তে কোনোবা অপশক্তিৰ প্ৰভাৱত এনে ঘটনা ঘটি থকা বুলি তেওঁলোকে হাড়ে হিমজুৱে তেওঁলোকে বিশ্বাস কৰে। সেইসময়ত ভুৱা বেজ, কবিৰাজ মাতি আনি বিশেষ মহিলাক চিনাক্ত কৰি বিশেষকৈ একক মহিলা, দুৰ্বল পৰিয়ালৰ মহিলাক বাচি লৈ বেজৰ দ্বাৰা নানা অত্যাচাৰ কৰি তেওঁক নিজকে 'ডাইনী' হয় বুলি কবলৈ বাধ্য কৰোৱা হয়। মহিলাগৰাকীয়ে উপায়ন্তৰ হৈ ডাইনী বুলি কোৱাৰ লগে লগে তেওঁৰ ওপৰত অমানুষিক অত্যাচাৰ কৰা হয়, মহিলাগৰাকীৰ সতে পৰিয়ালটোক অত্যাচাৰ কৰি গাওঁৰ পৰা খেদি দিয়া হয়। পৰিয়ালটোৰ সতে জুই পানীৰ সম্বন্ধ নিঃশেষ কৰা হয়। আনকি বহুতক মৃত্যুদণ্ডও দিয়া হয়। মুঠতে ডাইনী অভিযুক্ত এইসকল লোকৰ জীৱন আছিল দুৰ্বিসহ। এটা দুৰ্বিসহ যন্ত্ৰণা লৈ জীয়াই থকা এই মানুহখিনিৰ বাবে মাত মাতিবলৈ সেইসময়ত কোনেও সাহস কৰি আগবাঢ়িব পৰা নাছিল। সেই সময়তে কিন্তু বুকুত এসোপামান সাহস লৈ আগবাঢ়ি আহিছিল বিৰুবালা ৰাভা বাইদেউ। তেখেতে সেই সময়ত আনৰ গালি শপনি খায়ো মানুহখিনিক বহুবুজাবলৈ চেষ্টা কৰিছিল যে ডাইনী নামৰ কোনো বস্তু সমাজত নাই। এইয়া মানুহৰ অন্ধবিশ্বাসৰ বাহিৰে আন একো নহয়। এইসময়তে বাইদেৱে সেই মানুহখিনিৰ পৰা নানা কৰ্কথনা, গঞ্জনা শুনিব লগীয়া হৈছিল। বাইদেউৰ এই সাহসী সংগ্ৰামখনৰ প্ৰধান সাৰথি হৈছিল ভাৰত চৰকাৰৰ মানৰ সম্পদ উন্নয়ন দপ্তৰৰ দ্বাৰা ৰূপায়িত হৈ থকা মহিলা সমাখ্যা আঁচনিখন যিখন অসমত অসম মহিলা সমতা চচাইটি নামৰ অনুষ্ঠানটোৱে ৰূপায়ন কৰিছিল। বাইদেউৰ ভিতৰত থকা এই সাহস আৰু শক্তিক সৰল আৰু সুপৰিকল্পিতভাৱে আত্ম প্ৰকাশ

( নপৃষ্ঠাত চাওক)

## আজি আপোনাক বহুত ধুনীয়া লাগিছে

যুগান্ত দাস, ভৱানীপুৰ



আজি আপোনাক বহুত ধুনীয়া লাগিছে
কিমান ধুনীয়া সেইটোহে পিছে ক'ব নোৱাৰো
কিন্তু বহুত বহুত ধুনীয়া
ঠিক যেন গাভৰু নৈখন
ঠিক যেন পূৰ্ণিমাৰ ভৰুণ জোন
ঠিক যেন কাহিলী পুৱাৰ বেলি
ঠিক যেন আঘোনৰ গৰ্ভৱতী পথাৰ ।
দুখৰ মদিৰা পি পি আপুনি নীলকণ্ঠী
একাকীত্বৰ মালা জপি আপুনি
জীৱনৰ দুৰ্দান্ত প্ৰেমিক ।
আপুনি ৰাধা, আপুনিয়ে শকুন্তলা
নিয়তিৰ পৰিহাসত যাৰ
হৃদয় বিধ্বস্ত
অপ্ৰেম আৰু অপ্ৰাপ্তিৰ
ওবাজা কঢ়িয়াই আপুনি হৈ উঠে
শৈল্য ভাস্কৰ্য।
আপুনি ধুনীয়া
সেইয়ে ধুনীয়া বুলি কৈছো
ধুনীয়াক ধুনীয়া বুলি কোৱাটো অপৰাধ হ'ব নোৱাৰে
আপোনাৰ চকুজুৰি ধুনীয়া
য'ত লুকাই আছে
সহস্ৰ বেদনাৰ কোলাহল
আপোনাৰ চুলিকোছা ধুনীয়া
য'ত বাহ বান্ধে বিষন্ন ৰাতিয়ে
আপোনাৰ ওঁঠ জুৰি ধুনীয়া
য'ত ডুলি থাকে বিষন্নতা।
মুঠতে আপুনি ধুনীয়া
প্ৰেমত পৰিব পৰাকৈ
জীৱনৰ প্ৰেমত
আৰু এটা দীঘলীয়া ৰাতি
জীৱন জিন্দাবাদ ধ্বনি জুৰি
আপোনাৰ হৃদয়ৰ চুবুৰিত হট্টগোল কৰিব পৰাকৈ।

# স্মৃতিৰ কোলাত কলেজীয়া দিনবোৰ

**এছ ইছলাম, শিক্ষক, বৰপেটা**



কলেজীয়া জীৱনৰ অন্তত
ৰাওনা হ'লোঁ নিজ নিজ বাটত
ঘূৰি চোৱাৰ আহৰি নাই
পাৰ কৰিলোঁ মধুৰ সময়।
বন্ধুত্ব গঢ়িলোঁ বহুতৰ লগত
শিক্ষা জীৱনৰ ৰঙে-ৰসে উপচি পৰা
মধুৰ স্বপ্নৰ আৱেশেৰে ভৰা
জীৱনৰ বৈচিত্ৰ্যময়
সময় উপভোগ কৰিলোঁ।
মুক্ত আকাশৰ তলত
মুক্ত মনে জীৱনৰ বাট
পোহৰাই তালোৰ প্ৰচেষ্টাত
আগবঢ়ি যোৱাৰ সুন্দৰ পৰিৱেশ
পালোঁ কলেজীয়া জীৱনত।
স্মৃতিয়ে জীপাল হৈ উঠা
জীৱনৰ সুখ-দুখ হাঁহি-কান্দোন
খং-অভিমানৰ মাজেৰে
অতিক্ৰম হোৱা সময়বোৰ
বহু অভিজ্ঞতাৰে পূৰ্ণ হ'ল
বহুতো কথা নোকোৱা সাধু হ'ল
নক'বলগীয়া কথাও কোৱা হ'ল।
অবাঞ্ছিতে গঢ়ি উঠা
পৰিয়ালটো সদায় স্মৰণীয়
ঘনিষ্ঠতা বাঢ়িল
বন্ধুত্বৰ এনাজৰীডাল
অজান্তেই চিঙি গ'ল
স্মৃতিৰ দলিচাত হাঁহি-ধেমালিবোৰ
থমকি ৰ'ল।
কিন্তু নিষ্ঠুৰ সময়
সকলো পৰিবৰ্তন কৰিলে
শিক্ষা মন্দিৰখন এৰিলোঁ
মৰমৰ বন্ধু-বান্ধৱীহঁতে পাহৰিলে
অলেখ স্মৃতি বুকুত সাঁচি থলোঁ।

# ৰঙা চোলাটো

**দুলাল বৰা**




ৰুবী শইকীয়া বাইদেউবাইদেউৰ ৰচনা এখন নাৰীবাদী অন্যতম এক সৃষ্টি উপন্যাস। এই উপন্যাসখনত সমাজৰ এক জীয়া কাহিনীৰে ৰচিত অন্যতম গ্ৰন্থ । জীৱনত বিফল হৈয়ো যে সফলতা লাভ কৰিব পৰা যায় তাকেই প্ৰতিফলিত কৰা হৈছে উপন্যাসখনত "কাঞ্চন, নিৰু", আদি চৰিত্ৰ সমূহৰ মাজতৰে। উপন্যাসখনে প্ৰতিটো দৃশ্য চকুৰ সন্মুখত প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। এগৰাকী ছোৱালীক কিদৰে সৰু পৰা ডাঙৰ কৰোতে এক নিকৃষ্ট মানসিক কতাৰ জাতিৰ কিদৰে নিজক ৰক্ষা কৰিব পাৰি তাৰ ওপৰত এক সুন্দৰ বৰ্ণন দিয়ে লগতে। সেই বিশেষ জাতিয়ে বৰ্ষণ কৰাৰ পিছতো এগৰাকী ছোৱালীয়ে নিজৰ দৰিদ্ৰ আৰু কলংকৰ মোচন কৰিৱলৈ দৃঢ়তাৰে আগবঢ়ি গৈ কিদৰে নিজক সলনি কৰি এই অনন্য বিৰুদ্ধে যুঁজ আৰু সমাজৰ চৰিত্ৰ সলনি কৰিছে তাৰ উৎকৃষ্ট নিদৰ্শন এই "ৰঙা চোলাটো" নামৰ উপন্যাসখন জৰিয়তে সুন্দৰকৈ বৰ্ণিত কৰিছে আমাৰ নিপুণ লেখিকা গৰাকীয়ে।

সেয়ে সকলোৱে এই উপন্যাসখন এবাৰলৈ হ'লেও পঢ়াক লগতে ইয়াত বৰ্ণনা কৰা যি সমৰকলা আছে এই সমৰকলা সমূহ আপোনাকৰ নাৰী লগতে যুৱতী সকলক শিকাওক যাতে এই মহাব্যাধীৰ পৰা তেওঁলোকে নিজকে ৰক্ষা কৰিব পৰে।

কিতাপখনৰ পাবলৈ লেখিকা ৰুবী শইকীয়া দাস বাইদেউৰ লগত যোগাযোগ কৰাক। তেখেতৰ নম্বৰ হৈছে- ৯৩৬৫৮৫৪০৬৮।

# ফাটবিহুৰ ঐতিহ্য

**অঞ্জু শাণ্ডিল্য**

**যোৰাখণ্ডৰ পৰা...**

ফাটলৈ অহা সকলো লোকৰ লগতে ওচৰ-চুবুৰীয়া জনগোষ্ঠীসকলেও বিহু মাৰিছিল। কেতিয়াৰ পৰা ফাটবিহুৰ আৰম্ভণি হ'ল, তাৰ সঠিক তথ্য পোৱা নাযায়, আহোম বুৰঞ্জীমতে স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালত (১৬০৩-১৬৪১) ত মোমাই তামুলী বৰবৰুৱাই অসমত সম্প্ৰদায় অনুযায়ী খেল, বৃত্তি দি গাঁও, আলি-পদুলি, গড়, দৌল, দেৱালয়, থান-পুখুৰী আদি নিৰ্মাণ কৰোতে হাট, ফাটৰো ব্যৱস্থা কৰিছিল। এইদৰে ঢকুৱাখনাতো ফাটৰ ব্যৱস্থা হৈছিল। ঢকুৱাখনাৰ লগত আহোমৰ দিনৰ কাঠবৰুৱা দুৱাৰ (সোৱণশিৰিৰ পৰা গাই নদীলৈকে) সংযুক্ত হৈ আছে। এই দুৱাৰেদি পাহাৰীয়া লোকসকলে ভৈয়ামলৈ আহি চাৰিকড়ীয়া নৈৰ ফাটত বেহা-বেপাৰ কৰিছিল। ইয়াত পাহাৰ-ভৈয়ামৰ সকলো লোকৰ সমাবেশ ঘটিছিল। তাতে আহোম স্বৰ্গদেউসকলৰ দিনত পাহাৰীয়া লোকসকলৰ লগত এক মধুৰ সম্পৰ্ক আছিল। হয়তো স্বৰ্গদেউ বা উচ্চ পদস্থ ৰাজ বিষয়াৰ মনোৰঞ্জন, সন্মানৰ বাবে সকলোৱে একগোট হৈ বিহু মাৰিছিল। মণিৰাম দেৱান, স্বৰ্গদেউ পুৰন্দৰ সিংহ আদিক ফাটবিহুত (১৮৩৫) আদৰণি জনোৱাৰ কথা মানুহৰ মুখে মুখে বাগৰি আছে। বিহুনামতো আছে- 'মণিৰাম গৈছিল শদিয়া ৰাজ্যলৈ/ফিৰিঙিক লগতে লৈ/ ৰাজ্যৰ চাবি চুক ফিৰিঙিক দেখুৱালে/মামতিৰ ৰজাটিলৈ।' হয়তো আহোম ৰাজবিষয়া (গৰুমুৰীয়া, কটকী, ঘাটে বৰুৱা, হাট বিষয়া) সকলৰ মনোৰঞ্জন বা সন্মানৰ বাবেই সকলো জনগোষ্ঠী একত্ৰিত হৈ বিহু মাৰিছিল আৰু ইয়েই পিচলৈ ফাটবিহু হ'লগৈ। অসমত পূৰ্বে (যোল্ল শতিকাৰ আগতে) সকলো জনগোষ্ঠী একত্ৰিত হৈ বিহু মৰাৰ কথা ক'তো পোৱা নাযায়। ঢকুৱাখনাৰ ফাটবিহুত আজিও পুৰণি দিনৰ আপুৰুগীয়া পৰম্পৰা বিদ্যমান। য'ত আছে এখন মুকলি আকাশ, ম'হঘুলি চাপৰিৰ দৰে আহল-বহল মঞ্চ, বালি-ঘাঁহ-বনেৰে আবৃত কোমল দলিচা, লাইখুঁটা হেন বৰগছ, আঁহতগছ, জৰিগছ। ইয়াতে জুমে জুমে নানা জনগোষ্ঠীয়ে বিহু মাৰে। দিনৰ ভিতৰতে বিহুৰ অন্ত পৰে। দৰ্শকসকলেও ঘাঁহনিৰ ওপৰতে বহি বিহুৰ ৰং-আনন্দ উপভোগ কৰে। পূৰ্বৰ পৰম্পৰাৰে এইবাৰো অনুষ্ঠিত হৈছে ফাটবিহু। আজিকালিৰ ফাটবিহুত অৱশ্যে মঞ্চ, ৰভা, চকী- মেজো থাকে। সভা-সমিতি, শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠানো হয়। বিশিষ্ট লোকসকলক নিমন্ত্ৰণ জনোৱা হয়। বৰ্তমানৰ ম'হঘুলি চাপৰিত বিহু মঞ্চ আৰু অতিথিশালাও আছে। তথাপি এই ফাটবিহুত এক অকৃত্ৰিম সৌন্দৰ্য আছে আৰু থাকিবও। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে ধৰি বিদেশতো ফাটবিহুৰ প্ৰসাৰ আৰু প্ৰচাৰ ঘটিছে। চৰকাৰী উদ্যোগ আৰু জাতীয়তাবাদী সংগঠনবোৰৰ পৃষ্ঠপোষকতাত যোৱা প্ৰায় দুই দশকত এই ফাটবিহু বিশেষধৰণে বৰ্ণাঢ্য হৈ পৰিছে। আহোম ৰাজত্বকালৰ পৰা ব্ৰিটিছৰ শাসনকাললৈ ফাটবিহুৱে প্ৰাধান্য লাভ কৰিছিল। ঘিলামৰাৰ বঙলাত ইংৰাজ বিষয়াই ফাটবিহু চাবলৈকে বাহৰ পাতিছিল। হাতীত উঠি সপৰিয়ালে বিহু চাই আনন্দ উপভোগ কৰিছিল আৰু বিহুৱা দলক ৰূপৰ টকা দিছিল। বিহুনামতো এই কথা প্ৰকাশ পাইছে- 'তেললৈ একনা লোনলৈ দুবনা/কিনো খাই যাবি ভাত/ হাতীৰে পিঠিতে মেমনী ছোৱালী/ বিহা নাইকিয়া গাত।' 'বিহুতে বলিয়া কোন সমনীয়া/ বিহুতে বলিয়া কোন/বিহুতে বলিয়া ঢকুৱাখনীয়া/কপালত মহাৰে সোণ।'

ব্ৰিটিছৰ ৰাজত্বকালত মাজতে কেইবাবছৰো ফাটবিহু অনুষ্ঠিত হোৱা নাছিল। প্ৰথম মহাসমৰ (১৯১০-১৯১৮) ৰ সময়ত ব্ৰিটিছে জনজাতিসকলক দমন কৰা কাৰ্যত, ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰৰ সময়তো ফাটবিহু অনুষ্ঠিত নহৈছিল। তাৰ মাজতে ১৯২৩ চনৰ পৰা ২৭-২৮ চনমানলৈকে ফাটবিহু অনুষ্ঠিত হৈছিল। ব্ৰিটিছ চৰকাৰে অত্যধিক কৰ-কাটলৰ বোজা জনসাধাৰণৰ ওপৰত জাপি দিয়াত জোৰ-জুলুম কৰি কৰ আদায় কৰাত মানুহৰ মন ভাগি পৰিছিল। ঢকুৱাখনাৰো মানুহৰ মনৰ ৰং-আনন্দ নোহোৱা হৈছিল। বিশেষকৈ মিচিং জনগোষ্ঠীসকলৰ ম'হ-হাতী থকা লোকৰ ওপৰত অধিক কৰ লগোৱাত ক্ষুণ্ণ হৈ পৰে আৰু ১৯১৮ চনৰ চ'ত মাহত মোহন গামৰ নেতৃত্বত তেওঁলোকে মাৰোৱাৰী ব্যৱসায়ীসকলৰ দোকানঘৰ লুটপাত কৰে। পুলিচে মিচিং গাঁৱত মানুহ বিচাৰি জোৰ-জুলুম, অত্যাচাৰ কৰে আৰু মোহন গাম আৰু পুত্ৰ চাৰুগামক গ্ৰেপ্তাৰ কৰে। সেই বছৰৰ পৰা মিচিংসকলে ঢকুৱাখনাৰ ফাটবিহুত বিহু নমৰা হ'ল। মিচিংসকলৰ ঐনিতম আৰু বিহুনাচ অবিহনে জানো ফাটবিহু হ'ব পাৰে? সেয়ে ফাটবিহু নিজম পৰিল। স্বাধীনতা লাভৰ পিচদিনাহে ঢকুৱাখনাত আৱতৰীয়া ফাটবিহু হৈছিল। স্বাধীনতা লাভৰ সংবাদ ঢকুৱাখনাবাসীয়ে ১৫ আগষ্টৰ দিনা ৰাতি দহ বজাৰ পাচত পাইছিল আৰু আনন্দত ডবা-কাঁহ, শংখ-ঘণ্টা, ঢোল- খোল, তাল-বাঁহী, পেঁপা বজাই বিহু মাৰি, বিহুনাম গাই শোভাযাত্ৰা কৰি গৈ চাৰিআলিৰ আঁহতৰ তলত গোট খায়। তেতিয়াই সকলোৱে আলচ কৰি ঐতিহ্যমণ্ডিত ফাটবিহু পুনৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। পাচৰ বছৰত অৰ্থাৎ ১৯৪৮ চনৰ ব'হাগ মাহৰ সাত দিন যোৱাৰ পাচত আনুষ্ঠানিকভাৱে ঢকুৱাখনা চৰকাৰী হাইস্কুলৰ খেলপথাৰত ফাটবিহু পাতে। খেলপথাৰৰ কাষেৰে চাৰিকড়ীয়া নৈ বৈ আছিল আৰু খেলপথাৰৰ দাঁতিত আঁহত, জৰি, এজাৰ আদি গছ আছিল। এনে মোহনীয় পৰিৱেশত ঢকুৱাখনাৰ প্ৰায়বোৰ বিহু দলে আহি বিহু মাৰিছিল আৰু আজিলৈকে চলি আহিছে। আজিকালি ব'হাগ মাহৰ শেষৰ দেওবাৰে সামৰণি পৰাকৈ তিনিদিনীয়াকৈ ফাটবিহু অনুষ্ঠিত হয়। ১৯৫০ চনৰ পৰা কেইবাবছৰো বিভিন্ন কাৰণত ফাটবিহু অনুষ্ঠিত হোৱা নাছিল-

(আঠপৃষ্ঠাত চাওক)

# তোমাৰ হৃদয়খন চুই চাব পৰা হ'লে

**ৰুমী কলিতা দত্ত, ডিব্ৰুগড়**



তোমাৰ হৃদয়খন চুই চাম বুলিয়েইতো
বহুদিনৰ পিছত মুখামুখি হৈছিলোঁ
এখন বিশাল সাম্ৰাজ্যত।
কিন্তু!!
তোমাৰ মৌন ওঁঠযোৰ
নিথৰ চকুযোৰ দেখি
মই বিচলিত হৈ পৰিলোঁ।
মোৰ হৃদয়খন দিনে দিনে শূন্যহৈ পৰাৰ দৰে
তোমাৰখনো যদি শূন্য হৈ পৰিছে...
নাই নহয় চাগৈ!
তুমি হয়তো সীমনা পাৰ হৈ
আকাশৰ নীলাৰ স'তে ওমলি আছা!
মইহে অন্তৰৰ কোণত
একোকেই ঠাই দিব নোৱাৰা হৈ
বিষাদবোৰক আঁকোৱালি লৈছোঁ।
এবাৰলৈ যদি সুধিলাহেঁতেন
মই কেনে আছোঁ
মোৰ আত্মাই শান্তিৰ আসন পাৰি
এটি দীঘল উশাহ টানিলেহেঁতেন!
বুজিও নুবুজিলা
দেখিও নেদেখিলা
হৃদয়খন এবাৰ চুই চাবলৈ নিদিলা!
হৃদয়ৰ যন্ত্ৰণা কিমান?
কলিজা চিৰাচিৰ কৰি
প্ৰেমৰ শুভ্ৰ মালাধাৰ চিঙি
সকলো দিলা বিসৰ্জন
এতিয়া তুমি নতুন পথৰ যাত্ৰী।
মোৰ কলিজাৰ জ্বলি ৰোৱা ঠাইখন
এবাৰ আহি চুই যোৱা
তেতিয়াহে মোৰ আত্মাই শান্তিৰে বসবাস কৰিব
দুখবোৰ ঢাকি ৰাখি
হাঁহিৰে কেনেকৈ যে জীৱন সজাইছোঁ
এবাৰ আহি শুনি যোৱা!
কবিতাৰ সমুদ্ৰত সাঁতুৰিবলৈ ধৰাৰে পৰা
লিপিবদ্ধ কৰিছোঁ জীৱন যন্ত্ৰণা
পাই হেৰুৱাবৰ মন নাথাকিলেও
হেৰুৱাই পেলাইছোঁ সমন্ধৰ মালা
বিৰামহীন গতিত
শিমলু-পলাশে বাৰে বাৰে তোমাৰ হৃদয়ৰ কথাকে সোধে
মই নিৰুত্তৰ!
হেঁপাহ মাথোঁ তোমাৰ হৃদয়খন এবাৰ চুই চোৱাৰ
মোৰ দৰে বাৰু
তোমাৰ হৃদয়তো জমা হৈছে নেকি
যন্ত্ৰণা এসাগৰ।
এবাৰ আহি কৈ যোৱা
একাঁজলি লৈ যোৱা
হৃদয় জুৰোৱা প্ৰেমৰ সঁফুৰা।

**যোৰাখণ্ডৰ পৰা...**

# আই তোক কিহেৰে পুজিমে



**কবিতা শৰ্মা**

মোৰ মা নাই। আজিৰ পৰা দুবছৰ আগতে মই মোৰ মাক হেৰুৱাইছো। হাজাৰ ইচ্ছা থাকিলেও এই বিশেষ দিন উদযাপন কৰাৰ উপায় মোৰ নাই। কিন্তু এই কথা মই কোনোদিনেই অনুভৱ কৰিব পৰা নাই যে - মা মোৰ লগত নাই। কায়িক ভাবে মোৰ ওচৰত নাথাকিলেও মাৰ উপস্থিতি সদায়েই অনুভৱ কৰো মোৰ অন্তৰত। প্ৰতিদিনেই ঘৰৰ বাহিৰ ওলাবৰ সময়ত মাৰ ফটোত সেৱা কৰি ওলাও আৰু উভতিও সোধো "মা, কেনে আছ তই? দিনটো কিদৰে গ'ল?" মনত পৰে প্ৰতিটো জন্মদিনত প্ৰথম ফোনটো মাৰ পৰাই আহে। কোনোদিনেই তাৰ ব্যতিক্ৰম হোৱা দেখা নাপালোঁ। মোৰেই কিয় প্ৰতিটো সন্তানৰ, নাতি-নাতিনী বোৰৰ জন্মদিন বোৰ, কোনে কি খায় ভাল পায়, সেইবোৰ যেন মাৰ নখ দৰ্পনত। এতিয়াও মনত পৰে মাই ৰন্ধা জুতি লগা ব্যঞ্জন... আজিৰ বিভিন্ন মা - মছলা দি ৰন্ধা ৰেচিপি বোৰৰ তুলনাত মায়ে ৰন্ধা সেই মাছ-মাংস বা নিৰামিষ আঞ্জাৰ সোৱাদ আজিও মোৰ মনত শ্ৰেষ্ঠ। ঘৰলৈ গ'লেই মায়ে কৰা প্ৰথম প্ৰশ্ন টোৱেই হ'ল- "মা ভালে আছনে? কিবা খালিনে?" এই বয়সতো মাৰ মনত যেন সদায়েই সেই সৰু ছোৱালীজনীয়েই হৈ ৰলোঁ। মাত্ৰ ১৩ বছৰ বয়সতে বিয়া হৈ ষষ্ঠ শ্ৰেণীতে পঢ়া শুনা সমাপ্ত কৰি সেই বয়সতে শাহু- শহুৰ, জা-জোৱালী, দেৱৰ-ননদ, ভতিজা-ভতিজী ৰে ভৰা একান্নবৰ্তী পৰিয়ালত সুন্দৰকৈ চলিব পৰাটোৱেই মোৰ কাৰণে এক আশ্চৰ্য। পাছলৈ চাকৰি সূত্ৰে ঘৰখনত দেউতাৰ অনুপস্থিতি আমাক কোনো দিনেই অনুভৱ কৰিব নিদিয়া, দশভূজাৰ দৰে ৰন্ধা-বঢ়াৰ পৰা ঘৰৰ ভিতৰ বাহিৰৰ প্ৰতিটো কাম নিয়াৰিকৈ কৰা, আলহী অতিথিৰ লগতে ঘৰৰ সকলোৰে আলপৈচান ধৰা, সকলো সময়তে আৰ্ত জনক সহায় কৰা, প্ৰয়োজনত গাড়ী খনো চলাব পৰা, দুৰ্দান্ত সাহসী আৰু আত্মবিশ্বাসী, মা মোৰ কাৰণে পৃথিৱীৰ সকলোতকৈ ধুনীয়া নাৰী। এক চলন্ত চমৎকাৰ!

এটা কথা আজিকালি প্ৰায়েই অনুভৱ কৰিবলৈ বাধ্য হৈছো যে আমাৰ সমাজত যেন আজিকালি মাতৃ সকল ব্যথিত। আমি যেন আমাৰ মাতৃসকলে পাব লগীয়া মৰম আৰু আদৰত কৃপনালি কৰিছোঁ। তেওঁলোকক সন্তান সকলে দিবপৰা নাই হিয়া উজাৰি মৰম, সহানুভূতি আৰু মান- সন্মান। আজিকালি কিমান লৰা-ছোৱালী, বোৱাৰীক দেখোঁ মাতৃক অযত্ন কৰা, অবহেলা কৰা। সেইবোৰ দেখি-শুনি মনত বৰ দুখ পাওঁ। যি পিতৃ- মাতৃয়ে সন্তান জন্ম দি, লালন পালন কৰি, নানা দুখ কষ্টৰ মাজেৰে সন্তানক উপযুক্ত কৰি গঢ়ি তোলে, বৃদ্ধ অৱস্থাত তেওঁলোক যেতিয়া সন্তানৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে, তেতিয়া সেই সন্তানেই তেওঁলোকক চৰম অবহেলা কৰি শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলায়। আৱৰ্জনা সদৃশ জ্ঞান কৰি চল চাতুৰিৰে কৰবালৈ নি অচিনাকি ঠাই, ষ্টেচন, বজাৰ বা বৃদ্ধাশ্ৰমত থৈ দিয়ে। জীৱনৰ বিয়লি বেলা তেওঁলোকে সন্তানৰ পৰা বিচাৰে মাত্ৰ এযাৰ মৰমৰ মাত, অলপমান নিৰাপত্তা। সেইখিনিৰ কাৰণে আমাৰ ইমান কৃপনালি কিয়? কোনোবাই হয়তো কব পাৰে বিদেশৰ কথা, দিব পাৰে বিদেশৰ উদাহৰণ। কিন্তু বিদেশৰ সমাজ ব্যৱস্থা, ৰীতি-নীতি ভিন্ন। সামাজিক বা অৰ্থনৈতিক নিৰাপত্তা বিদেশত বহুত বেছি। বৃদ্ধ পিতৃ-মাতৃ স্বইচ্ছাই বৃদ্ধাশ্ৰমলৈ যাব, নিজৰ খৰচ নিজেই বহন কৰিব সেয়াই স্বাভাৱিক। কৰ্মজীৱনৰ লগত সামঞ্জস্য ৰাখি চৰকাৰি ভাটাও পাই তেওঁলোকে। যি ব্যৱস্থা আমাৰ দেশত নাই।

এই লেখাটো বিশেষ ভাবে মোৰ মাৰ বিষয়ে লিখা লেখা নহয়। হয়তো ওপৰে ওপৰে চকু ফুৰালে লেখাটো মোৰ মাৰ বিষয়ে লেখা যেন লাগিব পাৰে। এই লেখা আমাৰ প্ৰত্যেকৰে মাৰ ক্ষেত্ৰতেই প্ৰযোজ্য। এই পৃথিৱীৰ প্ৰতিগৰাকী মা আচলতে একেই। পৃথিৱীৰ অলেখ বিখ্যাত ব্যক্তি সকলে নিজৰ মাতৃ সকলৰ বিষয়ে কৈ যোৱা কথাবোৰ উক্তি হিচাপে ব্যৱহাৰ হয়। আমাৰ দৰে সাধাৰণ মানুহৰ কথাবোৰ উক্তি হিচাপে ব্যৱহাৰ নহয়। কোনো আক্ষেপ নাই। নিজৰ মাতৃক ভাল পাবলৈ কোনো বিখ্যাত ব্যক্তি হোৱাৰ প্ৰয়োজন নাই। আজি মাতৃ দিবসৰ দিনা সাধাৰণ মানুহ হিচাপে সাধাৰণ ভাষাৰেই কওঁ-

প্ৰতিটো মুহূৰ্তত মই তোক হেৰুৱাও
মা, তোক মই তোক বহুত ভাল পাওঁ

জীৱন চক্ৰৰ- শৈশৱ, যৌৱন, পৌঢ়ত্ব, আৰু সকলোতকৈ অনিবাৰ্য মৃত্যু এই ধ্ৰুৱসত্য কেৱল মোৰ, আপোনাৰ নহয় সকলোৰে ক্ষেত্ৰতে। সেয়েহে জীৱন থাকোতে জীৱনৰ মৰ্যদা দিবলৈ শিকক। যিমানদিন "মা" জীয়াই আছে সিমানদিনে প্ৰতিটো দিন পালন কৰক মাতৃ দিৱস হিচাপে।

আজি মাতৃ দিৱসৰ দিনা বিশ্বৰ প্ৰতিগৰাকী মাতৃৰ সুস্বাস্থ্য কামনা কৰাৰ লগতে সকলোলৈ শুভেচ্ছা জনালোঁ। আন্না জাৰ্বিছে নিজৰ মাতৃলৈ উপহাৰ ৰূপেৰে আগ বঢ়োৱা "মাতৃ দিৱস" হৈ উঠক প্ৰতিগৰাকী মাতৃলৈ আগবঢ়োৱা এক জীৱন জোৱা উপহাৰ...

# ফাটবিহুৰ ঐতিহ্য

১৯৫০ চনৰ ভূমিকম্প, ১৯৫৪ চনৰ বাৰেচহৰীয়া সবাহ, ১৯৫৬ চনৰ কৃষক সভা, ১৯৫৭ চনৰ কৃষ্টি সভা, ১৯৫৯ চনত ছাত্ৰ সন্মিলন, ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৬২ চনৰ বানপানী আৰু চীন-ভাৰতৰ যুদ্ধ, ১৯৬৩ চনৰ শোধনাগাৰ আন্দোলন, ১৯৬৪ চনৰ ভাৰত-পাকিস্তানৰ যুদ্ধ আদিৰ বাবে। ১৯৯৬ চনৰ পৰা চাৰিকড়ীয়া নৈৰ পাৰত শাৰী শাৰী শিশু গছৰ তলত ফাটবিহু অনুষ্ঠিত হ'বলৈ ধৰে। আজিকালি আহোমৰ দিনৰ ফাট নবহে। ব্ৰিটিছ ৰাজত্বৰ অত্যাচাৰ- উৎপীড়নো নাই। তথাপি পূৰ্বৰ ঐতিহ্যৰে ফাটবিহু উদ্যাপন হৈ আহিছে। যোৱা দুবছৰে ক'ভিড মহামাৰীৰ বাবে ফাটবিহু নহৈছিল আৰু ক'ভিডকেন্দ্ৰিক পৰিৱেশত জুৰুলা হোৱা, বৰ্তমানৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে কোঙা কৰা ৰাইজে অসমৰ বাৰেৰহণীয়া জনগোষ্ঠীৰ সম্ভাৰেৰে সম্প্ৰীতিৰ মেলা ফাটবিহু পাতিছে। বিহুনামেও কয়- 'ম'হঘুলি চাপৰিলৈ আহিবা ঐ লাহৰী/ফাটবিহুৰ বতৰা পাই/মিচিং আহিব দেউৰীও আহিব/আমাৰ বিহু ভাঙোতা নাই।'

'পখিলা উৰা দি উৰ ঐ নাচনী/পখিলা উৰাদি উৰ/ৰজাৰো আগৰ ফাটবিহুখনিৰ নেপাবি পীৰিতিৰ ওৰ।' ফাটবিহুৰ ঐতিহ্য-পৰম্পৰা, সম্প্ৰীতিৰ মেলা অটুট থাকক।

# মহীয়সী নাৰী পদ্মশ্ৰী বীৰুবালা দেৱী

প্ৰাংগণত লোকে লোকাৰণ্য হোৱা এটি ৰাজহুৱা সভাত বীৰুবালা ৰাভাই ডাইনী প্ৰথাৰ দৰে কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে যুক্তি সহকাৰে মত প্ৰকাশ কৰাত সভাৰ সমজুৱাই তেওঁক এঘৰীয়া কৰিছিল। তেতিয়া ২০০০ চনৰ পৰাই তেওঁ ডাইনী প্ৰথাৰ বিৰুদ্ধে গণ-সচেতনতা অনাৰ বাবে গণ-আন্দোলনৰ সূচনা কৰিলে। প্ৰথমতে দুটা দশক ধৰি তেওঁ গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত ঘূৰি ঘূৰি এই ডাইনী প্ৰথাৰ দৰে কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে মানুহক বুজাবলৈ ধৰিলে। ২০০৬ চনত অসম মহিলা সমিতিৰ লগত জড়িত হৈ বীৰুবালা ৰাভাই এই বিষয়ে দৃঢ় পদক্ষেপ লৈ বিশ্বৰ ১৫০ খন দেশৰ ১০০০ সাহসী নাৰীৰ ভিতৰত তেওঁ শ্ৰেষ্ঠ আসন লাভ কৰিবলৈ সক্ষম হৈছিল। ২০১১ চনত বীৰুবালা ৰাভাই "মিছন বীৰুবালা" আৰম্ভ কৰি সমাজত প্ৰচলিত ডাইনী হত্যাৰ নামত নিৰীহ পুৰুষ বা মহিলাক আশ্ৰয় দি গাহৰি ফাৰ্ম, মুৰ্গী ফাৰ্ম, বোৱা কটা আদিত সংস্থান দি সহায় কৰিছিল। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। আধুনিক মনৰ বহুত মানুহে "মিছন বীৰুবালা"ত অংশ গ্ৰহণ কৰিছিল। বৰ্তমান এই মিছনৰ সদস্য সংখ্যা ৮০০ ৰো অধিক। এই মিছনে কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে মানুহৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবে বিভিন্ন কাৰ্যসূচীৰে প্ৰশিক্ষণৰ ব্যৱস্থা চলি আছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়, দুধনৈ মহাবিদ্যালয়, চাবুৱাৰ ডি ডি আৰ মহাবিদ্যালয়, ডিব্ৰু মহাবিদ্যালয়, চেৰফাংগুৰি মহাবিদ্যালয় আৰু ফি'ল বাৰী কণিষ্ঠ মহাবিদ্যালয়ত বীৰুবালা ৰাভাই কোষ গঠন কৰিছিল। এই মিছনৰ জৰিয়তে এতিয়ালৈকে ডাইনী প্ৰথাৰ অন্ধবিশ্বাসৰ কবলত পৰি শাস্তিৰ সন্মুখীন হোৱা ৩৫ গৰাকী অসহায় নাৰীক উদ্ধাৰ কৰি সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটীৰ দ্বাৰা আয়োজিত "অন্ধবিশ্বাস দূৰীকৰণ অভিযান" কাৰ্যসূচীতো যোগ দান কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সাৰুৱা ভাষণ দি বীৰুবালা ৰাভাই বিদগ্ধ পণ্ডিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

এগৰাকী অসীম সাহসী মহীয়সী নাৰী পদ্মশ্ৰী বিৰুবালা ৰাভা আছিল দেশৰ অগণন সাধাৰণ জনতাৰ মুক্তিৰ কাণ্ডাৰী-স্বৰূপ। তেওঁ সমাজত প্ৰচলিত প্ৰাচীন উঁয়ে খোৱা ক্ষয়িষ্ণু অপ-সংস্কৃতিৰ ধাৰক আৰু বাহক কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামৰ পথ বাচি লোৱা নাছিল যদিও দেশৰ নিৰীহ শোষিত জনগণৰ মুক্তিৰ বাবে "মিছন বীৰুবালা"ৰ নেতৃত্ব প্ৰদান কৰি শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত লৈ প্ৰগতিশীল সমাজ-ব্যৱস্থা গঢ়াৰ বাবে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

এই গৰাকী মহীয়সী বিপ্লৱী বীৰ নেতৃ নৰ্থ ইষ্ট নেটৱৰ্কৰ দ্বাৰা ২০০৫ চনত শান্তিৰ ন'বেল বঁটা লাভ কৰাৰ বাবে নাম প্ৰেৰণ, ২০২১ চনত চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত, অসম চৰকাৰৰ ডাইনী হত্যা প্ৰতিৰোধ আৰু সুৰক্ষা আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা, সৰ্বেশ্বৰ দত্ত বঁটা বিজয়ী (২০১১ চনত) Foundation for Media and Social Welfare, Assam, ২০০৮ চনত Reliance industries Ltd, মোম্বাই দ্বাৰা সম্বৰ্ধনা আৰু Real Hero উপাধি লাভ, ২০১৯ চনত আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ দ্বাৰা "আনন্দৰাম ঢেকিয়াল ফুকন বঁটা বিজয়ী", টাই আহোম যুব পৰিষদৰ পৰা বীৰাংগনা মূলা গাভৰু বঁটা, জয়মতী বঁটা, সমাজ প্ৰাণ সেৱা বঁটা বিজয়ী, 12th Upendra Nath Brahma Soldier of Humanity Award, ২০১৫ বিজয়ী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা পি এইচ ডি সন্মানেৰে সন্মানিত পদ্মশ্ৰী বীৰুবালা ৰাভাই ২২ এপ্ৰিলৰ পৰা গুৱাহাটী চিকিৎসা ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত (Guwahati Medical State Cancer Institute) খাদ্যনলীত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুৰে যুঁজি যুঁজি অৱশেষত ১৩ মে সোমবাৰে ৯.২৩ মিনিটত নিয়তিৰ ওচৰত হাৰ মানিলে। শ্ৰদ্ধাৰ বীৰুবালা ৰাভাৰ দেহৰ মৃত্যু হ'ল সঁচা, কিন্তু তেওঁৰ অবিনশ্বৰ, চিৰ শাশ্বত অদমনীয় বিপ্লৱী আত্মা অজড়-অমৰ হৈ থাকি সমাজত প্ৰচলিত কুসংস্কাৰ অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি যোৱাৰ বাবে সমাজৰ প্ৰগতিশীল ভাৱধাৰাৰ আবাল-বৃদ্ধ-বনিতাক অনুপ্ৰেৰণা দান কৰিব। শ্ৰদ্ধাৰ বীৰুবালা ৰাভাৰ অন্ত্যেষ্টিক্ৰিয়া কেৱল চৰকাৰী ভাৱে পালন কৰিলেই নহ'ব; অসম চৰকাৰে বীৰুবালা ৰাভাক অসমৰ শ্ৰেষ্ঠ মানৰ সম্পদ হিচাপে ঘোষণা কৰি তেওঁৰ প্ৰতিমূৰ্তিপ্ৰতিখন চহৰত স্থাপন কৰি তেওঁক প্ৰকৃত সন্মান প্ৰদৰ্শন কৰা উচিত।

# ধনীৰ ধন দুখীয়াৰ মন

বিষাদমনে এৰি থৈ আহিব ওলোৱা বৰগোহাঞিৰ হাতত বিষয়াজনে এশ টকা কমকৈ ৰাখি যেতিয়া কিতাপখন তুলি দিছিল, তেতিয়া বৰগোহাঞিয়ে তেওঁক কৃতজ্ঞতা জনাবলৈ ভাষা বিচাৰি পোৱা নাছিল। সেয়ে তেওঁ পৰৱৰ্তী সময়ত মানুহজনক কৃতজ্ঞতা জনাই কাকতত লিখিছে- "মানুহজনক ধন্যবাদ দিবলৈ মই ভাষা বিচাৰি নাপালোঁ। মুখৰ ভিতৰতে কিবাকিবি বিৰবিৰাই মই কিতাপখনৰ দামটো দি ওলাই গুচি আহিলোঁ।"

ইফালে তেল যোগান ধৰা ল'ৰাজনে যেতিয়া ডঃ বৰুৱাৰ হাতত অক্ষত অৱস্থাত থকা মানিবেগটো তুলি দিছিল, তেতিয়া ল'ৰাজনক ধন্যবাদ জনাবলৈ তেৰোঁ ভাষা বিচাৰি পোৱা নাছিল। মাথোঁ "আকৌ লগ পাম"- তিনিটা শব্দ উচ্চাৰণ কৰি তেওঁ গাড়ীত উঠি বিদায় লৈছিল। কিছুদিন পিছত ডঃ বৰুৱা আকৌ তেলডিপোটোত উপস্থিত হ'ল। ল'ৰাজনক লগ ধৰি তাৰ হাতত বাতৰি কাকত এখন তুলি দি এটা নিৰ্দিষ্ট পৃষ্ঠালৈ আঙুলিয়াই দি ক'লে- "এইখিনি পঢ়ি চাবা।"

এইবুলি কৈ ডঃ বৰুৱাই খোজ লৈছিলেই। এনেতে ল'ৰাজনে মাত লগালে- "ছাৰ, মই অসমীয়া ক'বহে জানো, পঢ়িব নাজানো। কি লিখা আছে আপুনিয়ে পঢ়ি শুনাওকচোন।"

ডঃ বৰুৱাই লেখাটো এফালৰ পৰা পঢ়ি গ'ল। ল'ৰাজনে একান্তমনে শুনি গ'ল। তাৰ চকুৰে যেন বৰষুণহে দিব ধৰিলে। মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে; মাথোঁ ডঃ বৰুৱাক এটা সেৱা জনালে।

তিনিওজনৰ জাত একেই- মানুহ; তেজ-মঙহেৰে গঢ়া। পাৰ্থক্য মাথোঁ এটাই- চিন্তাধাৰাৰ। উচ্চ শিক্ষিত ধনীজনৰ বাবে ধনেই সৰ্বেসৰ্বা আৰু অৰ্ধশিক্ষিত (?) দুখীয়া (?) দুজনৰ বাবে মন। পিছে নিম্ন চিন্তাধাৰাৰ উচ্চ শিক্ষিত ধনী হোৱাতকৈ উচ্চ চিন্তাধাৰাৰ অৰ্ধ শিক্ষিত দুখীয়া হ'ব পৰাটোও সমাজৰ বাবে কম মঙ্গলজনক নহয়। কাৰণ মানৱৰ সমাজত ধনীৰ ধনতকৈ দুখীয়াৰ মনৰ মূল্য অধিক।

# পদ্মশ্ৰী বিৰুবালা ৰাভা

কৰোৱাই অধিক দক্ষ কৰি তুলিবলৈ বাইদেউক যথেষ্ট প্ৰশিক্ষিত দিয়া হৈছিল, বিভিন্ন সমলৰ যোগান ধৰা হৈছিল। ইয়াৰ ফলত বাইদেউৰ সাহস আৰু দক্ষতা বহুখিনি বৃদ্ধি পাইছিল। ইয়াৰ ফলত বাইদেৱে এই দীঘলীয়া সংগ্ৰামখন সফলতাৰে আগবঢ়াই নিবলৈ সক্ষম হৈছিল। বাইদেউৰ এই অন্ধ বিশ্বাসৰ বিৰুদ্ধে সংগ্ৰামী যাত্ৰা কেৱল গোৱালপাৰা জিলাতে সীমা বদ্ধ হৈ থকা নাছিল। কোকৰাঝাৰ, বঙাইগাওঁ, চিৰাং আদি জিলাতো তেখেতে এই সংগ্ৰাম চলাই গৈছিল। ইয়াৰ ফলশ্ৰুতিত বহুলোকে মানি লৈছিল যে ডাইনী নামৰ সমাজত একো বস্তু নাই। এইয়া বহু দীঘলীয়া সময় ধৰি মানুহৰ মনত শিপাই থকা অন্ধবিশ্বাসহে। ডাইনী অধ্যুষিত এলেকা সমূহত ডাইনী জনিত হত্যা, শাৰীৰিক উৎপীড়ণৰ ঘটনা আগৰ তুলনাত বহুখিনি হ্ৰাস হৈছিল। বাইদেৱে এই অন্ধবিশ্বাসৰ বিৰুদ্ধে চলাই থকা সংগ্ৰামৰ ফলশ্ৰুতিতে বহু ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। সাহসিকতাৰ নোবেল বঁটাৰ বাবে মনোনয়ন লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ভাৰত চৰকাৰৰ দ্বাৰা প্ৰদান কৰা দিশেষ সন্মান পদ্মশ্ৰী লাভ কৰিছিল। বহুবাৰ বিশেষ উপলক্ষত ৰাজ্য চৰকাৰ, ভাৰত চৰকাৰৰ দ্বাৰা সন্মানসূচক মানপত্ৰ লাভ কৰিছিল। এই বিভিন্ন বঁটা অথবা স্বীকৃতি সমূহ আছিল বাইদেৱে তেখেতৰ সংগ্ৰামী যাত্ৰাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এক প্ৰেৰণা। বাইদেৱে অক্লান্ত সৈনিকৰ দৰে তেখেতৰ যাত্ৰাক আগবঢ়াই লৈ গৈছিল জীৱনৰ শেষ সময়লৈকে। সময়ৰ ওচৰত হাৰ মানি বাইদেউক আমি কায়িকভাৱে চিৰদিনলৈ বিদায় দিবলগীয়া হ'ল। বাইদেউৰ অক্লান্ত শ্ৰম আৰু সাহস আমাৰ সমাজৰ বাবে সদায় প্ৰেৰণা হৈ থাকক। বাইদেউৰ মহান আত্মাই ভগৱানৰ শ্ৰীচৰণত স্থান লাভ কৰক।

## জীৱনৰ সোণসেৰীয়া সময়

**যমুনা দুলু বৈশ্য, গুৱালকুছি**



কি ভাৱনাত উৰি থাকে মন
ভাগৰুৱা দেহ, সময়ৰ গতিত গৈ
আছো, তেনেকৈয়েই।
তোমাৰ মনৰ জোখৰ অটুত বন্ধনত
মৌনতাৰে বেৰি লোৱা সময়ত মনে সঁজা
ব্যস্ততাৰ জীৱনৰ নিৰৱতাৰে
প্ৰশান্তিৰ হাঁহি বিৰিঙি সোঁতত শেষ নহয়
জীৱনৰ সোণসেৰীয়া সময়
সপোন দেখিবলৈ শিকা দিনৰে পৰা
হেঁপাহ বোৰে মেলিছিল পোখা,
জীৱন দুদিনীয়া হ'ল বুলিয়েই
মৃত্যু চিৰ সত্য বুলি জনাৰ পিছতো
নীৰৱ- নিৰবিচ্ছিন্ন ভাৱে
দুঃস্বপ্নৰ শ্বাস-প্ৰশ্বাসত নিতে
মৰমৰ পৃথিৱীখনত জীয়াই থকাৰ বাবে
মৰহী যোৱা বুকুৰ বেদনা বোৰ
প্ৰণয়ৰে প্ৰবাহমান উশাহৰ দৰে
তুমি আহি, আকৌ সজীৱ কৰি দিলা
দুচকুয়ে চাব খোজা সপোনত ৰামধেনু আঁকি
এদিন হ'লেও অচিনাকিৰে চিনাকি দিবা।

# মুম্বাইত হৰ্ডিং ভাঙি ১৬ জনৰ মৃত্যু

আনহাতে ৩১ জনক চিকিৎসাৰ অন্তত হাস্পতালৰ পৰা উলিয়াই দিয়া হৈছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শোক প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ঘটনাটোত নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয়, "মুম্বাইৰ ঘাটকোপাৰ অঞ্চলত হৰ্ডিং খহি পৰাৰ ফলত বহুলোকৰ প্ৰাণ হেৰুওৱাৰ খবৰ অতি দুখজনক। মই শোকসন্তপ্ত পৰিয়ালৰ সদস্যসকলৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছো। মই আঘাতপ্ৰাপ্ত লোকসকলৰ দ্ৰুত আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছো আৰু সাহায্য আৰু উদ্ধাৰ অভিযানত সফলতা কামনা কৰিছো।" উল্লেখ্য যে, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডে সন্ধিয়া ভাগত ঘটনাস্থল পৰিদৰ্শন কৰে। তেওঁ কয় যে, ঘটনাৰ দোষীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হ'ব। এই দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব বুলিও জনায়।

# কামৰূপ মহানগৰ জিলা উন্নয়ন

বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়া, প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে । সভাত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাসে অংশগ্ৰহণকাৰী বিষয়া-প্ৰতিনিধিসকলক চৰকাৰী আঁচনিসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপায়ণ কৰাৰ লগতে ইতিমধ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰূপায়িত আঁচনিসমূহৰ বিষয়েও বিতংভাৱে অৱগত কৰে । সংশ্লিষ্ট বিভাগসমূহে নিজৰ বিভাগৰ চৰকাৰী আঁচনি তথা প্ৰকল্পসমূহৰ ৰূপায়ণ সম্পৰ্কীয় তথ্যসমূহ পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন পদ্ধতিৰে প্ৰদৰ্শন কৰে। অনুষ্ঠানত কামৰূপ (ম) জিলা পৰিষদৰ উপ -মুখ্য কাৰ্যবাহী বিষয়া সমীপ ডেকা, সহকাৰী আয়ুক্ত ৰিচি বন্দনা গগৈ প্ৰমুখ্যে অন্যান্য বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# কামৰূপ মহানগৰ জিলা পথ

কাৰ্যসূচীৰ বিষয়ে অৱগত কৰাৰ উপৰি গুৱাহাটীৰ বিভিন্ন এলাকাৰ ৰাষ্ট্ৰীয় ঘাই পথত দুৰ্ঘটনাৰ আশংকা থকা স্থানসমূহ পাৱাৰ প্ৰেজেণ্টেশ্যন পদ্ধতিৰে প্ৰদৰ্শন কৰে। তদুপৰি ই-ৰিক্সা, পদ-পথৰ দোকান, পাৰ্কিংৰ যথাযথ ব্যৱস্থাৰ সন্দৰ্ভতো বিশদভাৱে আলোচনা কৰা হয়। এই বৈঠকত কামৰূপ মহানগৰ জিলাৰ সহকাৰী আয়ুক্ত ৰিচি বন্দনা গগৈ, জিলা পৰিবহণ বিষয়াদ্বয় গৌতম দাস আৰু হিমাংশু দাস, আবকাৰী অধীক্ষক দেৱজিৎ নাথ সহ সংশ্লিষ্ট আৰক্ষী বিষয়া তথা অন্যান্য বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত

দুপৰীয়াৰ আহাৰ আলোচনাত উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সত্যেন্দ্ৰনাথ বৰ্মন, অসম চৰকাৰৰ প্ৰতিনিধি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি, আভ্যন্তৰীণ মান নিৰূপক কোষৰ সদস্য সকল। সন্ধিয়াৰ ভাগত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত লোককৃষ্টি প্ৰদৰ্শন কৰা হয়। অসমীয়া সংস্কৃতিৰ প্ৰতিনিধিত্ব সূচক সাংস্কৃতিক কাৰ্যসূচী উপভোগ কৰি পৰ্য্যবেক্ষক দলটিয়ে অভিমত আগবঢ়ায়। দ্বিতীয় দিনা ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ পৰিদৰ্শনৰ পৰ্য্যবেক্ষক সকলে কলেজখনৰ বিভিন্ন কোষ বিশেষকৈ মহিলা অধ্যয়ন কোষ, এন এচ এচ, এন চি চি, ৰেড ৰিবন ক্লাব, তথ্য আৰু কেৰিয়াৰ পৰামৰ্শদান কোষ আৰু গ্ৰন্থাগাৰৰ তথ্য পাতি নিৰীক্ষণ কৰে। উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বিভিন্ন প্ৰসংগেৰে সামৰণি সভাত যথেষ্ট পৰামৰ্শ আগবঢ়ায়। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ তৃতীয় চক্ৰৰ পৰিদৰ্শনৰ সময়ছোৱাত উপস্থিত থকা আটাইকে মহাবিদ্যালয় কৰ্তৃপক্ষই ধন্যবাদ জনায়।

# জলবায়ু পৰিবৰ্তনৰ ফলত সংকটত

খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ মানুহক অস্তিত্বহীন কৰি তুলিব পাৰে। প্ৰতিবেদনখনৰ তথ্য অনুসৰি ব্ৰহ্মপুত্ৰৰ উৎপত্তিস্থল হিমালয়ত দ্ৰুত হাৰত হিমবাহ গলি থকাৰ সমান্তৰালকৈ অভাৱনীয় হাৰত গ্লেচিয়াৰ লেক (হিমবাহ গলি পানীৰ পৰা সৃষ্টি হোৱা হ্ৰদ) ৰ সংখ্যা বৃদ্ধি পাই আছে। ইয়াৰ সমান্তৰালকৈ ব্যাপক হাৰত বাঢ়িছে পূৰ্বৰ হ্ৰদসমূহৰ আয়তনো। যাৰ বিৰূপ প্ৰভাৱ ১.৯৩ লাখ বৰ্গকিলোমিটাৰ জোৰা ব্ৰহ্মপুত্ৰ অৱবাহিকাত পৰাটো অৱশ্যম্ভাৱী হৈ পৰিছে। মূলতঃ পানীৰ সংকটত ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰিদ্ৰ আৰু খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লাখ লাখ লোকৰ জীৱন বিপন্ন হোৱাৰ সম্ভাৱনীয়তা ব্যক্ত কৰা হৈছে প্ৰতিবেদনখনত। লগতে কোৱা হৈছে যে সমগ্ৰ অঞ্চলটোৰ আৰ্থ-সামাজিক গাঁথনি এদিন ভাগি পৰিব। প্ৰতিবেদনখন ব্ৰহ্মপুত্ৰ, সিন্ধু আৰু গংগা এই তিনিটা খণ্ডত বিভক্ত কৰা হৈছে। ব্ৰহ্মপুত্ৰ অৱবাহিকাত অন্তৰ্ভুক্ত হৈছে য়াৰলুং ছাংপো, ব্ৰহ্মপুত্ৰ, চিয়াং আৰু যমুনা নৈ। লক্ষণীয়ভাৱে প্ৰতিবেদনখনৰ পাতে পাতে আছে বিপৰ্যয়ৰ আগজাননী। ১৯৮৪ চনৰ পৰা কৃত্ৰিম উপগ্ৰহযোগে লব্ধ মানচিত্ৰ বিশ্লেষণ কৰি দেখা গৈছে যে ২০১৬-১৭ চনলৈকে সমগ্ৰ হিমালয়ত এক লাখ বৰ্গকিলোমিটাৰতকৈ বৃহৎ মাটিকালিৰ বিশিষ্ট এলেকাত ২,৪৩১ টা গ্লেচিয়াৰ লেক সৃষ্টি হৈছে। ইয়াৰে ৬৭৬ টা হ্ৰদৰ এলেকা বৃদ্ধি পাই আছে ক্ৰমাৎ। ক্ৰমবৰ্ধমান ৰূপত এলেকা বৃদ্ধি পোৱা এই হ্ৰদসমূহৰ ভিতৰত ভাৰতত বিৰূপ প্ৰভাৱ পেলাব পৰা হ্ৰদ ১৩০ টা চিনাক্ত কৰা হৈছে। ইয়াৰে ব্ৰহ্মপুত্ৰ অৱবাহিকাত আছে ৫৮ টা। অলপতে ভাৰতীয় মহাকাশ গবেষণা সংস্থা ইছৰ'ৰ তৰফৰ পৰাও এই কথা প্ৰকাশ কৰা হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল- এলেকা বৃদ্ধি পোৱা হ্ৰদসমূহৰ ভিতৰত সৰহসংখ্যকৰ এলেকা দুগুণপৰ্যন্ত বৃদ্ধি পাইছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে হিমবাহ গলি সৃষ্টি হোৱা হ্ৰদত পানীৰ পৰিমাণ বৃদ্ধি পাই থাকিলে বানৰ প্ৰকোপ অত্যন্ত বঢ়াৰ সম্ভাৱনা প্ৰকট। লগতে পানীৰ পৰিমাণ হ্ৰাস পোৱা মাত্ৰেই সৃষ্টি হ'ব পাৰে খৰাংসদৃশ পৰিস্থিতিৰো। ইয়াৰ বাবে জলবায়ু পৰিৱৰ্তনকেই দায়ী কৰা হৈছে। তদুপৰি জলবায়ু পৰিৱৰ্তনে - কেতিয়াবা অতিবৃষ্টিপাত আৰু কেতিয়াবা উৎকট গৰমৰো উদ্ভৱ ঘটাব সমগ্ৰ ব্ৰহ্মপুত্ৰ অববাহিকাত। বাস্তৱত ইয়াৰ প্ৰভাৱ ইতিমধ্যে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চল তথা পুব ভাৰতত দেখা পোৱা গৈছে। যোৱা এপ্ৰিল মাহতে কোনো কোনো ঠাইৰ তাপমাত্ৰাই ৪০ ডিগ্ৰী চেলচিয়াছ অতিক্ৰম কৰিছে। এনে প্ৰৱণতা অনাগত দিনত আৰু বৃদ্ধি পোৱাৰ আশংকা ব্যক্ত কৰিছে বিজ্ঞানীসকলে। জলবায়ু পৰিৱৰ্তনৰ উপৰি বৃহৎ নদীবান্ধ তথা উন্নয়নৰ নামত চলি থকা নিৰ্মাণকাৰ্যই ব্ৰহ্মপুত্ৰ অববাহিকাৰ নামনি অঞ্চলত বানপানীৰ প্ৰকোপ বৃদ্ধি কৰাৰ সময়তে তীব্ৰ গৰম তথা খৰাংসদৃশ পৰিৱেশ সৃষ্টি কৰাৰো বিজ্ঞানীসকলে আগজাননী দিছে।

# চেঙাত আপৰ কাৰ্যালয়

মুকলি কৰি ডাঃ চৌধুৰীয়ে কয়, "২০২৬ চনৰ মে' মাহৰ ভিতৰত অসমত বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। আমাৰ দলে এতিয়াৰ পৰাই দলৰ তৃণমূল পৰ্যায়ৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ বাবে কাম কৰি আছে। ৰাজ্যৰ প্ৰতিটো বিধান সভা সমষ্টিতে দলৰ কাৰ্যালয় স্থাপনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বিভিন্ন স্থানত দলীয় যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰি নতুন সভ্য ভৰ্ত্তি কৰা হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ তিনিবছৰীয়া কাৰ্যকালৰ বিফলতাৰ বিৰুদ্ধে ৰাজ্যবাসীক সজাগ কৰিবৰ বাবেও আমি এলানি কাৰ্যসূচী গ্ৰহণ কৰিছো। আমাৰ বিশ্বাস পৰৱৰ্তী বিধান সভা নিৰ্বাচনত বিজেপিৰ ব্যৰ্থতাৰ বিৰুদ্ধে আম আদমী পাৰ্টিক ৰাইজে আঁকোৱালি ল'ব।" দলীয় কাৰ্যালয় মুকলি কৰাৰ পিছত অনুষ্ঠিত মুকলি সভাত এনেদৰে আপৰ ভৱিষ্যত কাৰ্যপন্থা সন্দৰ্ভত মত ব্যক্ত কৰে ডাঃ ভবেন চৌধুৰীয়ে। সভাত অংশ গ্ৰহণ কৰি আপৰ ৰাজ্যিক সাংগঠনিক সম্পাদক ড° মামুন ইমদাদুল হক চৌধুৰীয়ে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ তিনিবছৰীয়া কাৰ্যকালৰ ব্যৰ্থতাৰ বিৰুদ্ধে সৰৱ হয়। কাৰ্যসূচীত আপৰ মিডিয়া সম্পাদক আমিৰ হুছেইন, গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ড মেম্বাৰ মাছুমা বেগম, আপৰ বৰপেটা জিলা সমিতিৰ সভাপতি হাদিউল ৰহমান, ৰাজ্যিক সাংগঠনিক সম্পাদক মনছুৰ তালুকদাৰৰ লগতে জিলা সমিতিৰ বহুকেইগৰাকী নেতা উপস্থিত থাকে।

# ভোট বেংকৰ ৰাজনীতি

সোমাই আছে পাকিস্তানৰ আগ্ৰাসন আৰু ভাৰতৰ প্ৰাপ্যৰ কথা বুলি মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত উল্লেখ কৰিছিল।ভাৰতবৰ্ষই নিজৰ ভূমি পাকিস্তানৰ পৰা কাঢ়ি আনিবই লাগিব। কিয়নো উক্ত এলেকাত থকা লোক সকলো ভাৰতত চামিল হ'বলৈ উত্তাৱল হৈ আছে। pak occupied Kadhmir ৰ কথা এনেদৰে তুলি ধৰাটো কোনো ধৰণৰ সাম্প্ৰদায়িকতা নহয় বৰঞ্চ ই বাস্তৱ সত্য আৰু ভাৰতৰ প্ৰাপ্য হে বুলি শৰ্মাই উল্লেখ কৰি লগতে কয় যে সনাতন সমাজ ব্যৱস্থা আৰু ভাৰতৰ ইতিহাসৰ ওপৰত কথা কোৱাটো কেতিয়াও সাম্প্ৰদায়িকতা হবই নোৱাৰে।

# পঞ্চম পৰ্যায়ৰ ভোট


হ'বলগীয়া বিহাৰৰ পাঁচটা, জম্মু- কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ তিনিটা, লাডাখৰ এটা, মহাৰাষ্ট্ৰৰ ১৩টা, ওড়িশাৰ পাঁচটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ সাতটা সংসদীয় সমষ্টিক লৈ হাইভল্টেজ নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰে। পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণত ৪৯টা সমষ্টিত ৬৯৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য ভোটাৰে ইভিএমত বন্দী কৰিব। পঞ্চম পৰ্যায়ৰ নিৰ্বাচনত বাইবেৰেলিৰ পৰা কংগ্ৰেছৰ ৰাহুল গান্ধী, আমেথিৰ পৰা বিজেপিৰ স্মৃতি ইৰাণী, বাৰামুল্লাৰ পৰা ওমৰ আব্দুল্লা, বিহাৰৰ হাজীপুৰৰ পৰা চিৰাগ পাছোৱান, ছাৰণৰ পৰা ৰাজীৱ প্ৰতাপ ৰুডি, মুম্বাই উত্তৰৰ পৰা পীযূষ গোৱেলকে ধৰি কেইবাগৰাকীও বিশিষ্ট নেতাৰ ভাগ্য বন্দী হ'ব ইভিএমত। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লক্ষ্ণৌ সংসদীয় সমষ্টিতো পঞ্চম পৰ্যায়ত ভোটগ্ৰহণ হ'ব।

# মাজুলীৰ কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত "সাহস" মাজুলী টীমৰ জাৱৰৰ ওপৰত সজাগতামূলক সভা

ৰঙিলী বাৰ্তাসেৱা- নামনি মাজুলীৰ চিলাকলা পঞ্চায়তৰ অন্তৰ্গত কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত "সাহস" (এন জি অ') মাজুলী টীম'ৰ উদ্যোগত তথা বিদ্যালয়খনিৰ সহযোগত জাৱৰৰ ওপৰত এখনি সজাগতা মূলক সভা অনুষ্ঠিত হয়। মূলত সমগ্ৰ মাজুলীত শুকান জাৱৰৰ ওপৰত ৰাইজৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে কাম কৰা "সাহস মাজুলী টীমে" প্ৰথম পৰ্যায়ত জিলাখনৰ পাচ খন পঞ্চায়ত ক্ৰমে গড়মূৰ, কমলাবাৰী, চিলাকলা, দক্ষিণ-কমলাবাৰী আৰু পকাজৰা পঞ্চায়তৰ অন্তৰ্গত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগতে গাঁৱে গাঁৱে গৈ শুকান জাৱৰৰ ওপৰত সজাগতা কাৰণে কাম কৰি গৈছে। অনুষ্ঠানত বিদ্যালয়খনিৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিভিন্ন কাৰ্যপন্থাৰ জড়িয়তে বহু কেইটা অনুষ্ঠান কৰি ছাত্ৰ ছাত্ৰী সকলৰ মাজত ক্ষুদ্ৰ উপহাৰ সাহস-ৰ তৰফৰ পৰা প্ৰদান কৰা হয়।

## ENGLISH NEWS SECTION

# Chief Secretary Launches Disaster Reporting and Information Management System (DRIMS)



Guwahati, RB News- The Disaster Reporting and Information Management System (DRIMS), a digital platform for online reporting of damages incurred during various disasters, was launched today by Chief Secretary, Assam, Dr Ravi Kota, IAS, at Assam Administrative Staff College (AASC), Khanapara, Guwahati. "DRIMS is a state-of-the-art initiative of the Assam State Disaster Management Authority (ASDMA) for accurate reporting and assessment of damages caused by disasters and disbursal of aid to those affected by them. This platform has been developed in collaboration with UNICEF, efficiently captures critical impact indicators of damages during disasters, which helps to deliver relief and rehabilitation grants expeditiously to the affected beneficiaries. It also tracks damages to crops, loss of livestock etc. expediting post-disaster restoration efforts."After launch of DRIMS, Dr Ravi Kota released the Handbook on Financial Assistance during Disasters. He also inaugurated the State Level Training Programme on Incident Response System for responders which is being conducted by the National Institute of Disaster Management.

# Raj Bhavan, Assam celebrates Statehood day of Sikkim



Guwahati, RB News- As a part of Ek Bharat Shreshtha Bharat initiative, Raj Bhavan Assam celebrated the Statehood Day of Sikkim at the conference hall of Raj Bhavan here. Governor of Sikkim Lakshman Prasad Acharya sent his warm wishes on the occasion. Addressing the gathering, the chief guest of the event Brig. Ranjit Borthakur,SM(Retd.) underscored the pivotal role Sikkim plays in India's strategic landscape, given its geographical proximity to international borders. He also spoke on the burgeoning tourism industry which according to him led to surge in tourist footfalls and the consequent rise in revenue collection. He also said that the work on Railway connectivity is also going on a fast-track which will certainly enhance Sikkim's connectivity along with boosting the socio economic landscape of the State. Furthermore, he also commended the admirable qualities of the Sikkimese people, highlighting their humility and unwavering support to all especially outsiders. He emphasized the significance of civilian backing in achieving national objectives, stressing that victory in any conflict isn't solely determined by military might but also the solidarity and cooperation of the people. In this regard, he lauded the Sikkimese people for their role in bolstering the collective defense and progress of the country.

# Satwik-Chirag and Ashwini-Tanisha enter Thailand Open semifinals



RB News- Both pairs of Indian doubles players Satwiksairaj Rankireddy and Chirag Shetty in men's doubles, and Ashwini Ponappa and Tanisha Crasto in women's doubles, progressed to the semifinals of the Thailand Open Super 500 tournament on Thursday in Bangkok, Thailand. Meanwhile, Meiraba Luwang's impressive run in the tournament ended as he suffered a heavy defeat.

# TTFI announces India's squad for 2024 Paris Olympics



RB News- Table Tennis Federation of India (TTFI) on Thursday, May 16 announced India's squad for the 2024 Paris Olympics. The six-member squad will be led by Commonwealth Games champion and veteran Achanta Sharath Kamal and top ranked Indian women's player Manika Batra. It will be the first-time ever that India will field players for the team events in table tennis.

# Parveen Hooda to miss Olympics after suspension for violation



RB News- The Indian boxing team have been handed a massive jolt ahead of the 2024 Paris Olympics with the World Championship bronze medallist boxer Parveen Hooda being handed a suspension by the World Anti-Doping Agency (WADA). The Indian boxer, who fetched an Olympic quota in women's 57kg weight class during Asian Games last year, failed to file her whereabouts.

# 55th IFFI official poster unveiled at Cannes Film Festival

RB News- The 55th International Film Festival of India (IFFI) kicked off its countdown with the unveiling of its official poster at the 77th Cannes Film Festival. With Secretary Ministry of Information and Broadcasting, Sanjay Jaju, among other dignitaries present, the poster sets the stage for a cinematic extravaganza in Goa from November 20th to 28th, 2024.

# আন্তৰ্জাতিক ফুটবলৰ পৰা অৱসৰ গ্ৰহণৰ ঘোষণা সুনীল ছেত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- সুদীৰ্ঘ দুটা দশকজোৰা পৰিক্ৰমাৰ অন্ত পেলাই আন্তৰ্জাতিক ফুটবলৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰে সুনীল ছেত্ৰীয়ে। ৩৯ বছৰ বয়সত অৱসৰ ঘোষণা কৰিলে ফুটবলাৰগৰাকীয়ে। সামাজিক মাধ্যমযোগে তাৰকা ফুটবলাৰগৰাকীয়ে এই কথা ৰাজহুৱা কৰাৰ পাছতে ক্ৰীড়প্ৰেমীৰ মাজত চৰ্চা লাভ কৰিছে। ফুটবলাৰগৰাকীয়ে ঘোষণা কৰা অনুসৰি তেঁও অহা ৬ জুনত অন্তিমখন আন্তৰ্জাতিক মেচত অংশ ল'ব। উক্ত দিনা তেঁও কলকাতাত কুৱেটৰ বিৰুদ্ধে অন্তিমখন মেচত অংশ ল'ব। এক আৱেগবিহ্বল কণ্ঠৰে সামাজিক মাধ্যমযোগে সুনীল ছেত্ৰীয়ে কয়- ই এক আবেগিক সময়। মই মোৰ প্ৰশিক্ষকসকলৰ ওচৰত কৃতজ্ঞ। জীৱনৰ ১৯ টা বসন্ত ফুটবলৰ নামত উৎসৰ্গা কৰি, ফুটবলক বিদায় জনোৱাটো এক কঠিন সিদ্ধান্ত। বিগত ১৯ বছৰত পোৱা অভিজ্ঞতাৰ কথা সুঁৱৰি আবেগিক হৈ পৰে তাৰকাগৰাকী। তেঁও কয়- খেলি থকা সময়ছোৱাত মই কেতিয়াও ব্যক্তিগতভাৱে ভবা নাছিলো যে মই দেশৰ হৈ খেলিছো। মই ভাল খেলিছো নে বেয়া সেয়াও নাজানো। কিন্তু এতিয়া সিদ্ধান্ত লৈছো যে অহা ৬ জুনৰ খেলখনেই হ'ব মোৰ অন্তিমখন খেল। তাৰকা ফুটবলাৰগৰাকীয়ে লগতে কয়, "এনে এটা দিন আছে, যিটো মই কেতিয়াও পাহৰি নাযাওঁ। মই মনত ৰাখিম সেই দিনটো, যেতিয়া মই প্ৰথমবাৰৰ বাবে দেশৰ জনতাৰ হকে খেলিছিলো। এয়া অবিশ্বাস্য আছিল। কিন্তু তাৰ আগদিনা পুৱা ৰাষ্ট্ৰীয় দলৰ আমাৰ প্ৰথম কোচ সুখী ছাৰে (সুখবিন্দৰ সিং) আহি মোক জনাইছিল, প্ৰথম একাদশত মই আছো। কৈ বুজাব নোৱাৰিম সেই অনুভৱ কেনেকুৱা আছিল।" সুনীল ছেত্ৰীয়ে লগতে কয় যে মই মোৰ মাক অৱসৰৰ কথা কৈছিলোঁ। তাৰ পাছত দেউতাক। পুত্ৰৰ অৱসৰ লোৱাৰ কথাটো তেওঁলোকে স্বাভাৱিকভাৱে লৈছিল। প্ৰতিখন মেচৰ হেঁচা লৈ গেলাৰীত বহি থকা মোৰ পত্নীকো অৱসৰৰ কথাটো কৈছিলোঁ। তেওঁলোক আৱেগিক হৈ পৰিছিল। কুৱেইটৰ বিপক্ষে খেলিবলগীয়া মেচখন মানসিক চাপৰ মেচ হ'ব বুলি উল্লেখ কৰি সুনীল চেত্ৰীয়ে কয় যে সেই মেচখন আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ। মেচখনক লৈ কোনো চাপ অনুভৱ কৰা নাই। ১৫-২০ দিনৰ প্ৰশিক্ষণৰ পিছত কুৱেইটৰ বিৰুদ্ধে কেৰিয়াৰৰ অন্তিমখন মেচ। উক্ত মেচখনৰ প্ৰতিটো মুহূৰ্ত উপভোগ কৰিবলৈ সাজু আছোঁ। উল্লেখ্য যে ৩৯ বছৰীয়া তাৰকা ফুটবলাৰগৰাকীৰ ২০০৫ চনৰ ১২ জুনত আন্তৰ্জাতিক ফুটবলত অভিষেক ঘটিছিল। পাকিস্তানৰ বিৰুদ্ধে অভিষেক ঘটা সুনীল ছেত্ৰীয়ে উক্ত মেচতে প্ৰথমটো গ'ল কৰিবলৈ সক্ষম হৈছিল। সুনীল ছেত্ৰীয়ে দেশৰ উপৰি বিভিন্ন ক্লাৱৰ হৈও খেলিছিল ফুটবল। মোহন বাগান, আই এছ এল আদি বিভিন্ন পেচাদাৰী প্ৰতিযোগিত তেঁও প্ৰতিভাৰ চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছিল। তেঁওৰ নেতৃত্বতে ভাৰতীয় ফুটবলে সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল।

# ১৬ খন ৱাৰ্মআপ মেচৰ তালিকা ঘোষণা আইচিচিৰ



ৰঙিলী বাৰ্তাসেৱা- বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আইচিচিয়ে ১৬ খন ৱাৰ্মআপ মেচৰ তালিকা ঘোষণা কৰিছে। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলটোৱে মাত্ৰ এখনহে ৱাৰ্মআপ মেচ খেলাৰ সুযোগ লাভ কৰিব। ১ জুনত আমেৰিকাত বাংলাদেশৰ বিপক্ষে ৱাৰ্মআপ মেচখন খেলিব ভাৰতীয় দলটোৱে। অৱশ্যে বিগত টি-২০ বিশ্বকাপৰ ফাইনেলিষ্ট পাকিস্তান আৰু ইংলেণ্ডৰ লগতে নিউজিলেণ্ডে কোনো ধৰণৰ ৱাৰ্মআপ মেচ খেলিব নোৱাৰিব। ১ জুনত ভাৰতে বাংলাদেশৰ বিপক্ষে আমেৰিকাৰ কোনখন খেলপথাৰত ৱাৰ্মআপ মেচখন খেলিব, সেয়া এতিয়াও ঘোষণা কৰা নাই আইচিচিয়ে। ইপিনে, বিশ্বকাপৰ প্ৰাকমূহূৰ্তত পাকিস্তান আৰু ইংলেণ্ডে তিনিখন টি-২০ মেচত ভাগ ল'ব। এই শৃংখলাটোৰ বাবে দুয়োটা দলে বাৰ্মআপ মেচত অংশ লোৱাৰ পৰা বিৰত থাকিব। আনহাতে নিউজিলেণ্ডে এপ্ৰিলত পাকিস্তানৰ বিৰুদ্ধে টি-২০ শৃংখলাত ভাগ লৈছিল আৰু ইয়াৰ বাবে নিউজিলেণ্ডেও বিশ্বকাপৰ বাৰ্মআপ মেচত অংশগ্ৰহণ নকৰে। উল্লেখ্য যে ২৭ মে'ৰ পৰা ১ জুনলৈ টি-২০ বিশ্বকাপৰ বাৰ্মআপ মেচসমূহ অনুষ্ঠিত হ'ব।


# ফেডাৰেচন কাপত স্বৰ্ণ জয় নীৰজ চোপ্ৰাৰ



ৰঙিলী বাৰ্তাসেৱা- অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাৰ আন এক সফলতা । ফেডাৰেচন কাপৰ পুৰুষ শাখাত জেভলিন থ্ৰ' ইভেণ্টত সোণৰ পদক লাভ কৰিলে নীৰজ চোপ্ৰাই । ওড়িশাৰ ভুবনেশ্বৰত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ পুৰুষৰ জেভলিন শাখাত টকিঅ' অলিম্পিকত স্বৰ্ণ জয় কৰি ইতিহাস ৰচনা কৰা নীৰজ চোপ্ৰাই ৮২.২৭ মিটাৰ থ্ৰ' কৰি শীৰ্ষ স্থানেৰে স্বৰ্ণপদক জয় কৰে। সদ্যসমাপ্ত ড'হা ডায়মণ্ড লীগত ৮৮.৩৬ মিটাৰ থ্ৰ' কৰি দ্বিতীয় স্থান অধিকাৰ কৰা নীৰজ চোপ্ৰাই আজি নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শন-দাঙি ধৰাত ব্যৰ্থ হয়। পঞ্চমটো প্ৰচেষ্টাত নীৰজে স্বৰ্ণ পদকটো নিশ্চিত কৰে। এই প্ৰতিযোগিতাত নীৰজে হাৰিয়ানাক প্ৰতিনিধিত্ব কৰে। কৰ্ণাটকৰ মনুয়ে ৮২.০৬ মিটাৰৰ সৈতে দ্বিতীয় স্থান লাভ কৰে, আনহাতে মহাৰাষ্ট্ৰৰ উত্তম বালাচাহেব পাটিল ৭৮.৩৯ মিটাৰৰ সৈতে তৃতীয় স্থান লাভ কৰে। এছিয়ান গেমছৰ ৰূপৰ পদক বিজয়ী কিশোৰ জেনাই হতাশাজনক ৭৫.৪৯ মিটাৰেৰে পঞ্চম স্থান লাভ কৰে।

# পঞ্জাৱ কিংছৰ হাতত ৫ উইকেটত পৰাস্ত ৰাজস্থান ৰয়েলছ

ৰঙিলী বাৰ্তাসেৱা- পঞ্জাৱ কিংছৰ হাতত ৫ উইকেটত পৰাস্ত ৰাজস্থান ৰয়েলছ। গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচখনত প্ৰথমে বেটিং কৰি ৰাজস্থান ৰয়েলছে পঞ্জাৱ কিংছৰ সমুখত ১৪৫ ৰানৰ লক্ষ্য বান্ধি দিয়ে। ৰাজস্থান ৰয়েলছে জয়ৰ বাবে বান্ধি দিয়া ৰানৰ লক্ষ্য অনুসৰণ কৰিব আহি অধিনায়ক ছেম কৰনৰ অপৰাজিত ৬৩ ৰানৰ সহায়ত পঞ্জাবে ১৮.৫ অভাৰত ৫ টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ৰিলী ৰ'ছ'উৱে ২২ আৰু জিতেশ শৰ্মাই ২২ ৰানৰ অৰিহণা আগবঢ়ায়। আশুতোষ শৰ্মাই ১৭ ৰান কৰি অপৰাজিত হৈ থাকে। জ'নী বেয়াৰষ্ট'ৱে ১৪ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ হৈ আভেছ খান আৰু যুজবেন্দ্ৰ চাহাল উভয়ে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ আহি অসম সন্তান



ৰিয়ান পৰাগৰ ৪৮ ৰানৰ সহায়ত ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৪৪ ৰান সংগ্ৰহ কৰে। ৰিয়ান পৰাগৰ বাহিৰে পঞ্জাৱ কিংছৰ বলাৰৰ সন্মুখত ৰাজস্থান ৰয়েলছৰ কোনো এজন বেটাৰে দীঘলীয়া ইনিংছ খেলিবলৈ সক্ষম নহ'ল। দলীয় স্ক'ৰ ৪২ ৰানতে তিনিজনকৈ আগশাৰীৰ বেটাৰক হেৰুৱাই বিপদত পৰে দলটো। অ'পেনাৰ যশস্বী জয়ছোৱালে ৪, ট'ম ক'লেৰ- কাডম'ৰৈ ১৮ আৰু অধিনায়ক সঞ্জু ছেমছনেও ১৮ ৰান কৰি বিদায় লয়। চতুৰ্থ স্থানত বেটিং কৰিবলৈ অহা ৰিয়ান পৰাগে ৰবিচন্দ্ৰন অশ্বিনৰ সৈতে লগ লাগি দলক বিপদৰ পৰা কিছু পৰিমাণে উদ্ধাৰ কৰে। দুয়োৱে চতুৰ্থ উইকেটত ৫০ ৰান সংগ্ৰহ কৰে। অশ্বিনে ১৯ টা বলত তিনিটা চাৰি আৰু এটা ছয়েৰে ২৮ ৰান কৰাৰ বিপৰীতে ৰিয়ানে ৩৪ টা বলত ৬ টা ছয়েৰে ৪৮ ৰানৰ অৰিহণা আগবঢ়ায়। ইপিনে ধ্ৰুৱ জুৰেল (০), ৰ'ভমান পাৱেল (৪) আৰু ড'ন'ভান ফেৰেইৰাই (৭) সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। পঞ্জাবৰ হৈ কৰন, হৰ্ষল পেটেল আৰু ৰাহুল চহৰে দুটাকৈ উইকেট লয়। মেচখনত পৰাস্ত হ'লেও প্লে'অফত প্ৰৱেশ কৰিছে ৰাজস্থান ৰয়েলছে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286